# অসমত ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অসমীয়া মহিলা লেখকৰ স্থিতি

**পাপুমণি হাজৰিকা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ), যোৰহাট।
e-mail : papumonijb@rediffmail.com

**সাৰাংশ ঃ**
ভাষা হৈছে, মানুহে মনৰ ভাব পূৰ্ণাংগ ৰূপত প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা এক প্ৰণালী— যাৰ জৰিয়তে মানুহে নিজ চিন্তা-চেতনাৰ বহিঃপ্ৰকাশ ঘটায়। খ্ৰীঃ পূঃ ৬-৫ শতিকাত ভাৰতবৰ্ষত পাণিনিৰ হাতত ভাষাৰ বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ আৰম্ভণি ঘটিছিল । পাণিনিয়ে 'অষ্টাধ্যায়ী' ব্যাকৰণৰ মাজত ভাষাৰ এটা বিজ্ঞানসন্মত আৰু শৃংখলাবদ্ধ বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। গ্ৰীক দাৰ্শনিক প্লেটো-এৰিষ্টটলৰ সময়তেই পাশ্চাত্যত ভাষা সম্পৰ্কে চিন্তা-চৰ্চা চলিছিল যদিও বিংশ শতিকাৰ দ্বিতীয় দশকৰপৰাহে প্ৰকৃতাৰ্থত আধুনিক ভাষাবিজ্ঞানৰ শুভ আৰম্ভণি ঘটে। অসমত ভাষা অধ্যয়নৰ পৰম্পৰা তুলনামূলকভাৱে অৰ্বাচীন। ১৭৯৫ খ্ৰীষ্টাব্দত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ নিৰ্দেশত টেঙাই পণ্ডিতখ্যাত ব্যক্তিয়ে 'বৰ অম্ৰ-লতি অম্ৰ' প্ৰণয়ন কৰাৰপৰাই অসমত অভিধান চৰ্চাৰ শুভাৰম্ভ ঘটে যদিও ব্ৰিটিছৰ হাততহে প্ৰথম অসমীয়া ভাষাৰ চৰ্চা হয় বুলি ক'ব পাৰি। অসমীয়া ভাষাৰ ব্যাকৰণৰ সূত্ৰপাত ১৮৩৯ চনত প্ৰকাশিত ইংৰাজী ভাষাত লিখা William Robinson-ৰ 'A Grammar of the Assamese Language' গ্ৰন্থখনৰ জৰিয়তে হয় যদিও সম্পূৰ্ণ অসমীয়া ভাষাত লিখা অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ হ'ল হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'। এই ব্যাকৰণখন প্ৰকাশ হয় ১৮৫৯ চনত। ঊনবিংশ শতিকাৰপৰা অসমত ভাষা-চৰ্চাৰ ক্ষেত্ৰখনে মূৰ দাঙি উঠে যদিও যথাৰ্থতে ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে কৰা ভাষাৰ অধ্যয়ন বুলিলে আমি ১৯৪১ চনত প্ৰকাশিত বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থ 'Assamese, Its Formation and Development' গ্ৰন্থখনকহে বুজো। পৰৱৰ্তী সময়ত বিভিন্নজন পণ্ডিত, গৱেষকে ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে অসমীয়া, অসম তথা উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতবৰ্ষৰ বিভিন্ন ভাষা সম্পৰ্কে চৰ্চা কৰি আহিছে। অসমৰ মহিলা ভাষাচৰ্চাকাৰী বুলি ক'বলৈ গ'লে খুবসম্ভৱ পোনপ্ৰথমে চন্দ্ৰপ্ৰভা চৌধুৰীৰ কথাই ক'ব লাগিব। ১৯৭৪ চনতে চন্দ্ৰপ্ৰভা চৌধুৰীয়ে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ লিখি উলিওৱা 'অসমীয়া ভাষা সাৰথি ব্যাকৰণ'— এই সম্ভৱতঃ অসমীয়া মহিলাই প্ৰণয়ন কৰা প্ৰথম ভাষাবিষয়ক পুথি। ঊনবিংশ শতিকাৰ আশীৰ দশকৰপৰা ভাষাৰ ক্ষেত্ৰখনত প্ৰায় নিয়মিতভাৱে চৰ্চা কৰি থকা পোনপ্ৰথমেই উল্লেখ কৰিবলগীয়া মহিলা ভাষা-চৰ্চাকাৰী হৈছে লীলাৱতী শইকীয়া বৰা। ভাষা আৰু সাহিত্য দুয়োটা ক্ষেত্ৰতে চৰ্চা কৰা লীলাৱতী শইকীয়া বৰাই 'THE RAMAYANA OF MADHAVA KANDALI : A LINGUISTIC STUDY' বিষয়ত গৱেষণা কৰি ১৯৮৬ চনত ডক্টৰেট উপাধি লাভ কৰে আৰু ভাষা বিষয়ত কাম কৰি এই সন্মান লাভ কৰা তেওঁৱেই প্ৰথম অসমীয়া মহিলা। পৰৱৰ্তী সময়ত অসমীয়া ভাষা, অসমৰ তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা আৰু ভাৰতবৰ্ষৰ ভাষা সম্পৰ্কে অসমৰ মহিলা ভাষাচৰ্চাকাৰীসকলে বিজ্ঞানসন্মত অধ্যয়নেৰে নতুন নতুন দিশত বাট মুকলি কৰি আহিছে আৰু সম্প্ৰতি সেই ধাৰা অব্যাহত হৈ আছে।

***বীজ শব্দ ঃ** ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চা, মহিলা ভাষাচৰ্চাকাৰী।*

**১.০ অৱতৰণিকা ঃ**

ভাষা হৈছে মানুহৰ শ্ৰেষ্ঠতম সম্পদ। যিবোৰ বিশিষ্টতাৰ বাবে মানুহক জীৱশ্ৰেষ্ঠ বুলি গণ্য কৰা হয়, সেইসমূহৰ ভিতৰত ভাষা অন্যতম। মানুহে মনৰ ভাব পূৰ্ণাংগ ৰূপত প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা ই এক প্ৰণালী, যাৰ জৰিয়তে মানুহে নিজ চিন্তা-চেতনাৰ বহিঃপ্ৰকাশ ঘটায়। সেয়ে যি জাতিৰ ভাষা, সাহিত্য আৰু সংস্কৃতি চহকী তেনে জাতিয়ে বিশ্বত নিজ মহত্ত্ব আৰু গৌৰৱ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ উৎপত্তি, গঠন আৰু বিকাশ, সেইসমূহৰ সময়ে সময়ে হোৱা পৰিৱৰ্তন আদিৰ সম্পৰ্কে জানিবলৈ মানুহ আগ্ৰহী হৈ আহিছে আৰু তাৰে ফলস্বৰূপে প্ৰাচীন কালৰেপৰাই ভাষাবিষয়ক বিভিন্ন চিন্তা-চৰ্চা চলি আহিছে। এনেদৰে কৰা চিন্তা-চৰ্চাৰপৰাই ভাষাৰ বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধ অধ্যয়ন আৰম্ভ হয়, যাক অসমীয়াত 'ভাষাবিজ্ঞান' বুলি জনা যায়। বাক্‌যন্ত্ৰৰদ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ সংযোগত ৰূপ গঠন কৰা হয় আৰু ৰূপসমূহৰ সংযোগত অৰ্থযুক্ত বাক্য গঠন কৰি মানুহে মনৰ ভাব প্ৰকাশ কৰে। ভাষাবিজ্ঞানত ধ্বনি, ৰূপ, শব্দাৰ্থ আৰু বাক্য— এই চাৰিওটা স্তৰৰ প্ৰণালীবদ্ধ আৰু পুংখানুপুংখ বিশ্লেষণ কৰাৰ লগতে ভাষাসমূহৰ আভ্যন্তৰীণ আৰু বাহ্যিক গঠন, সময়ে সময়ে হোৱা ভাষাৰ পৰিৱৰ্তন, ভাষাৰ ব্যৱহাৰ, ভাষাৰ বিভিন্ন ৰূপ, ভাষাৰ লগত ভাষাৰ আৰু অন্য বিবিধ বিষয়ৰ সম্বন্ধ, ভাষা অধ্যয়নৰ প্ৰণালী আদি বহু দিশ ভাষাবিজ্ঞানত সামৰি লৈ বিশ্লেষণ আগবঢ়োৱা হয়। খ্ৰীঃ পূঃ ৬-৫ শতিকাত প্ৰাচ্যত তথা ভাৰতবৰ্ষত পাণিনিৰ হাতত ভাষাৰ বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ আৰম্ভণি ঘটিছিল। পাণিনিয়ে 'অষ্টাধ্যায়ী' ব্যাকৰণৰ মাজত ভাষাৰ এটা বিজ্ঞানসন্মত আৰু শৃংখলাবদ্ধ বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰিছিল।[১] গ্ৰীক দাৰ্শনিক প্লেটো-এৰিষ্টটলৰ সময়তেই পাশ্চাত্যত ভাষা সম্পৰ্কে চিন্তা-চৰ্চা চলিছিল যদিও বিংশ শতিকাৰ দ্বিতীয় দশকৰপৰাহে প্ৰকৃতাৰ্থত আধুনিক ভাষাবিজ্ঞানৰ শুভ আৰম্ভণি ঘটে বুলি ক'ব পাৰি।

**১.১ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

অসমত ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অসমীয়া মহিলা লেখকৰ স্থিতি বিচাৰ কৰি চোৱাই বিষয়-অধ্যয়নৰ মূল উদ্দেশ্য। অসমৰ ভাষা অধ্যয়নৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায়, পুৰুষ ভাষাচৰ্চাকাৰীসকলৰ তুলনাত মহিলাসকলে বহু পলমকৈহে এই ক্ষেত্ৰখনত প্ৰৱেশ কৰা পৰিলক্ষিত হয়। তথাপি বৰ্তমান সময়লৈ লক্ষ্য কৰিলে এই ক্ষেত্ৰখনত অসমীয়া মহিলা ভাষা-চৰ্চাকাৰীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থকা দেখিবলৈ পোৱা গৈছে। ব্যাকৰণ-চৰ্চাৰপৰা আৰম্ভ কৰি অভিধান প্ৰণয়ন, লিপিৰ অধ্যয়ন, জনগোষ্ঠীয় ভাষাৰ অধ্যয়ন আদি ভাষা অধ্যয়নৰ প্ৰায় সকলো ক্ষেত্ৰতে অসমীয়া মহিলাই লক্ষণীয়ভাৱে চৰ্চা কৰি আহিছে আৰু এই দিশসমূহ পোহৰলৈ অনাৰ গুৰুত্ব অনুভৱ কৰিয়েই এই বিষয়টি আলোচনাৰ বাবে নিৰ্বাচন কৰি লোৱা হৈছে।

**১.২ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰ ঃ**

বৰ্ণনাত্মক পদ্ধতিৰে বিষয়টি অধ্যয়ন কৰাৰ প্ৰয়াস কৰা হৈছে। অধ্যয়নৰ পৰিসৰ হিচাপে আৰম্ভণিৰেপৰা বৰ্তমানলৈকে যিসকল অসমীয়া মহিলাই ভাষা-চৰ্চা কৰি আহিছে সেই সকলোকে এই আলোচনাৰ আওতালৈ অনাৰ যথাসম্ভৱ প্ৰয়াস কৰা হৈছে। অৱশ্যে অপ্ৰকাশিত ৰচনা সকলোকে সাঙুৰি ল'ব পৰা হোৱা নাই।

**২.০ অসমত ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰ সাধাৰণ আভাস ঃ**

আধুনিক কালত ভাষাবিজ্ঞান বুলিলে যি অৰ্থত বুজা যায়, তেনে অধ্যয়নৰ পৰম্পৰা অসমত তুলনামূলকভাৱে অৰ্বাচীন।[২] যদিওবা ১৭৯৫ চনত টেঙাই পণ্ডিতে গৌৰীনাথ সিংহৰ পৃষ্ঠপোষকতাত 'বৰ অম্ৰ আৰু ফুল অম্ৰ বা লতি অম্ৰ' ৰচনা (পৰৱৰ্তী সময়ত বৰ অম্ৰখন কোচবিহাৰৰ কৈলাশচন্দ্ৰ বসুৰপৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰে আৰু লতি অম্ৰখন শিৱসাগৰৰ আখৈ দেওধাই গাঁৱৰ নন্দলাল ফুকনৰ ঘৰৰপৰা সূৰ্যকুমাৰ ভূঞাই সংগ্ৰহ কৰিছিল বুলি হেমচন্দ্ৰ গোস্বামীৰ Descritive Catalogue of Assamese Manuscripts, ১৯৩০ চনত প্ৰকাশিত গ্ৰন্থখনৰপৰা জানিব পাৰি।) কৰাৰপৰাই অসমত অভিধান চৰ্চাৰ শুভ আৰম্ভণি ঘটে; কিন্তু ব্ৰিটিছৰ হাততহে প্ৰকৃতাৰ্থত প্ৰথম অসমীয়া ভাষা-চৰ্চাৰ সূত্ৰপাত হয় বুলি ক'ব পাৰি। অৱশ্যে এই চৰ্চা আছিল সম্পূৰ্ণভাৱে ব্ৰিটিছে প্ৰশাসনীয় কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবৰ নিমিত্তেহে। তথাপি অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ বুলি ক'বলৈ গ'লে, ১৮৩৯ চনত প্ৰকাশিত ইংৰাজী ভাষাত লিখা William Robinson-ৰ 'A Grammar of the Assamese Language' গ্ৰন্থখনৰ কথাই ক'ব লাগিব। পৰৱৰ্তী সময়ত

মিছনেৰিসকলৰ প্ৰচেষ্টাত ১৯৪৬ চনত প্ৰথম অসমীয়া মাহেকীয়া সংবাদপত্ৰ 'অৰুনোদই' প্ৰকাশ পায় আৰু ১৯৪৮ চনত অসমীয়া ভাষাৰ দ্বিতীয়খন ব্যাকৰণ ড° নাথান ব্ৰাউনৰ 'Grammatical Notices on Assamese Language' প্ৰকাশ পায়। অসমীয়া ভাষাত লিখা অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ হ'ল হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'। এই ব্যাকৰণখন প্ৰকাশ হয় ১৮৫৯ চনত। ইয়াৰ পাছৰেপৰা অসমীয়া ভাষা আৰু অসমৰ ভাষা সম্পৰ্কে বিভিন্নজনে চৰ্চা চলাই আহিছে। এইক্ষেত্ৰত ক্ৰমে, লোকনাথ শৰ্মা, দেৱানন্দ ভৰালি, সত্যনাথ বৰা, কালিৰাম মেধিৰ নাম বিশেষভাৱে উল্লেখনীয়। দৰাচলতে ক'বলৈ গ'লে, ঊনবিংশ শতিকাৰপৰা অসমত ভাষা-চৰ্চাৰ ক্ষেত্ৰখনে মূৰ দাঙি উঠে যদিও যথাৰ্থতে ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে কৰা ভাষাৰ অধ্যয়ন বুলিলে ১৯৪১ চনত প্ৰকাশিত বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থ 'Assamese, Its Formation and Development' গ্ৰন্থখনৰ কথা ক'ব লাগিব। পৰৱৰ্তী সময়ত বিভিন্নজন পণ্ডিত, গৱেষকে ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে অসমীয়া, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আৰু ভাৰতবৰ্ষৰ বিভিন্ন ভাষা সম্পৰ্কে চৰ্চা চলাই আহিছে। সম্প্ৰতি সেই ক্ষেত্ৰখনলৈ মন কৰিলে দেখা যায়, ভাষা সম্পৰ্কীয় বিবিধ তত্ত্বৰ প্ৰয়োগেৰে ভাষাৰ আলোচকসকলে অসমত ভাষাৰ অধ্যয়নৰ নতুন নতুন দিশ মুকলি কৰিছে।

**৩.০ অসমত ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অসমীয়া মহিলা-লেখকৰ অৱদান ঃ**

অসমত এতিয়ালৈকে যিসকল ভাষাবিদে ভাষাৰ ক্ষেত্ৰখনত কাম কৰি আহিছে সেইসকললৈ মন কৰিলে ,পুৰুষ ভাষাবিদ আৰু ভাষা অধ্যয়নকাৰীসকলৰ তুলনাত মহিলা ভাষা-চিন্তাবিদসকলে এই ক্ষেত্ৰখনত বহু পলমকৈহে চৰ্চা আৰম্ভ কৰা পৰিলক্ষিত হয়। অৱশ্যে বৰ্তমান সময়ত এইসকল মহিলা ভাষা-চিন্তকে নিৰন্তৰভাৱে উল্লিখিত ক্ষেত্ৰখনত নিজ কৰ্তব্য আৰু দায়িত্ব গুৰুতৰ সহকাৰে পালন কৰি আছে। অসমৰ মহিলা ভাষা-চৰ্চাকাৰী বুলি ক'বলৈ গ'লে খুবসম্ভৱ পোনপ্ৰথমে চন্দ্ৰপ্ৰভা চৌধুৰীৰ কথাই ক'ব লাগিব। ১৯৭৪ চনতে চন্দ্ৰপ্ৰভা চৌধুৰীয়ে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ লিখি উলিওৱা 'অসমীয়া ভাষা সাৰথি ব্যাকৰণ' শীৰ্ষক গ্ৰন্থখনেই সম্ভৱতঃ অসমীয়া মহিলাই প্ৰণয়ন কৰা প্ৰথম ভাষাবিষয়ক পুথি। ইয়াৰ পিছতে নাম ল'ব পাৰি ভুবনেশ্বৰী বৈশ্যৰ। তেওঁৰ 'প্ৰাকৃত ভাষা পৰিচয়' (১৯৭৫) শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি প্ৰণয়ন কৰা ভাষা বিষয়ক গ্ৰন্থ। এইসমূহ সম্পূৰ্ণ ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে লেখা নহ'লেও ভাষা চৰ্চাৰ দিশত অসমীয়া মহিলা ভাষাচৰ্চাকাৰী বুলি ক'বলৈ যাওঁতে এওঁলোক প্ৰাতঃস্মৰণীয় হৈ ৰ'ব।

ঊনবিংশ শতিকাৰ আশীৰ দশকৰপৰা ভাষাৰ ক্ষেত্ৰখনত প্ৰায় নিয়মিতভাৱে চৰ্চা কৰি থকা পোনপ্ৰথমেই উল্লেখ কৰিবলগীয়া মহিলা ভাষা-চৰ্চাকাৰী হৈছে লীলাৱতী শইকীয়া বৰা। ভাষা আৰু সাহিত্য দুয়োটা ক্ষেত্ৰতে চৰ্চা কৰা লীলাৱতী শইকীয়া বৰাই 'THE RAMAYANA OF MADHAVA KANDALI : A LINGUISTIC STUDY' বিষয়ত গৱেষণা কৰি ১৯৮৬ চনত ডক্টৰেট উপাধি লাভ কৰে আৰু ভাষা বিষয়ত কাম কৰি এই সন্মান লাভ কৰা তেওঁৱেঁই প্ৰথম অসমীয়া মহিলা। তেওঁৰ ভাষাবিষয়ক মৌলিক গ্ৰন্থ তিনিখন। সেয়া ক্ৰমে— 'মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা' (১৯৯৩), 'সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ' (২০০২), 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' (২০০৬) 'অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ' (২০১৬)।

লীলাৱতী শইকীয়া বৰাৰ পিছতে ভাষা আৰু সাহিত্য দুয়ো ক্ষেত্ৰত চৰ্চা কৰা তথা ভাষাৰ ক্ষেত্ৰত একনিষ্ঠভাৱে লাগি থকা আন এগৰাকী ভাষাবিদ দীপ্তি ফুকন পাটগিৰি। নৱৈৰ দশকতেই 'AN ANALYSIS OG THE ASSAMESE VERB SYSTEM : A HISTORICAL STUDY' বিষয়ত গৱেষণা কৰি ১৯৮৯ খ্ৰীষ্টাব্দত ডক্টৰেট উপাধি লাভ কৰা দীপ্তি ফুকন পাটগিৰিয়ে সাম্প্ৰতিক সময়লৈকে ভাষাবিষয়ক কেইবাখনো মূল্যৱান গ্ৰন্থ লিখি উলিয়ায়। অসমীয়া ভাষাৰ উপৰি বাংলা, উড়িয়া, নেপালী আদি ভাষাতো দখল থকা পাটগিৰিৰ মৌলিক গ্ৰন্থকেইখন হৈছে— 'ভাষাতত্ত্ব' (১৯৯১), 'মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙণি' (১৯৯৭), 'আধুনিক অসমীয়া ব্যাকৰণ' (১৯৯৯), 'মধ্যযুগৰ অসমীয়া ব্যাকৰণ' (১৯৯৯), 'আধুনিক অসমীয়া গদ্য' (২০০৩), 'অসমীয়া,বাংলা আৰু উড়িয়া ভাষা তুলনামূলক অধ্যয়ন' (২০০৪) 'SOME ASPECTS ON LANGUAGE AND LINGUISTICS'(২০১০)। এইকেইখনৰ

উপৰি লীলাৱতী শইকীয়া বৰাৰ সৈতে একেলগে সম্পাদনা কৰা গ্ৰন্থ 'ভাষা-জিজ্ঞাসা' (২০০২)। 'অসমীয়া ভাষাৰ উপভাষা' (২০০৭), 'উপভাষা আৰু অসমৰ ভাষা-উপভাষা' (২০১০) তেওঁৰদ্বাৰা সম্পাদিত অন্য দুখন ভাষাবিষয়ক উল্লেখযোগ্য গ্ৰন্থ।

ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে উত্তৰ-পূৰ্বাঞ্চলৰ ভাষাসমূহৰ অধ্যয়ন কৰি থকা অন্য এগৰাকী উল্লেখযোগ্য মহিলা ভাষা-চৰ্চাকাৰী অৰ্পণা কোঁৱৰ। 'THE KARBI PEOPLE AND THEIR LANGUAGE: A CRITICAL STUDY' বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰা অৰ্পণা কোঁৱৰৰ ভাষাবিষয়ক গ্ৰন্থ— 'ভাষা-সাহিত্যৰ অধ্যয়ন' (১৯৯৫), 'ভাষা-সাহিত্যৰ বিবিধ চিন্তা' (১৯৯৭), ভাষাবিজ্ঞান উপক্ৰমণিকা (২০০২), প্ৰাচীন অসমীয়া গদ্যশৈলী (২০০৪), KARBI: THE PEOPLE AND THE LANGUAGE (২০০৩) 'অসমীয়া ভাষা চিন্তন' (২০১৫), 'অসমত ভাষাৰ অধ্যয়ন' (২০২০), 'অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন' (২০২০) আদিয়ে অসমত ভাষাৰ চিন্তা-চৰ্চাৰ ক্ষেত্ৰখনত বিশেষভাৱে বৰঙণি আগবঢ়াইছে। উল্লিখিত গ্ৰন্থকেইখনৰ উপৰি অৰ্পণা কোঁৱৰ আৰু অনুৰাধা শৰ্মাৰদ্বাৰা সংকলিত আৰু সম্পাদিত 'ভাষাবিজ্ঞান পাৰিভাষিক কোষ' (২০০৮) এনে এখন গ্ৰন্থ, যিখনে এতিয়ালৈকে অসমীয়া ভাষাৰ পাৰিভাষিক শব্দাৱলী প্ৰয়োগৰ ক্ষেত্ৰত একক আৰু অনবদ্য ৰূপত কাম কৰি আছে।

জ্যোতিৰেখা হাজৰিকা অসমৰ অন্য এগৰাকী জনপ্ৰিয় সাহিত্যিক, যিগৰাকীয়ে সাহিত্য-চৰ্চাৰ সমান্তৰালভাৱে ভাষাৰ ক্ষেত্ৰখনতো কাম কৰি আহিছে। 'অসমৰ তিব্বত-বৰ্মী ভাষাৰ অধ্যয়নৰ ইতিহাস' বিষয়ত গৱেষণা কৰি ২০১০ চনত ডক্টৰেট উপাধি লাভ কৰা হাজৰিকাৰ ভাষাবিষয়ক গ্ৰন্থকেইখন হৈছে— 'অসমীয়া ভাষাৰ অধ্যয়ন' (১৯৯৭, যুটীয়াভাৱে), 'আধুনিক অসমীয়া ৰচনা— ব্যাকৰণৰ সৈতে' (২০১২, যুটীয়াভাৱে), 'জনসম্পৰ্ক আৰু ব্যৱহাৰিক অসমীয়া ভাষা (২০১২, যুটীয়াভাৱে), 'মাধ্যমিক অসমীয়া ৰচনা— ব্যাকৰণৰ সৈতে' (২০১২, যুটীয়াভাৱে), 'অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ৰেঙণি' (২০১৪), 'অসমীয়া লিপি আৰু অসমৰ জনজাতীয় ভাষাৰ লিপি' (২০১৮), 'দেউৰী ভাষা-সাহিত্যৰ অধ্যয়ন' (২০২১)। ইয়াৰ উপৰি তেওঁ সম্পাদনা কৰা 'ব্ৰহ্মপুত্ৰ উপত্যকাৰ টাই জনগোষ্ঠী ঃ ভাষা-সমাজ-সংস্কৃতি' (২০১৫), 'অসমৰ তিব্বত-বৰ্মীমূলীয় জনগোষ্ঠী ঃ ভাষা-সমাজ-সংস্কৃতি' (২০১৬) দুখন উল্লেখযোগ্য গ্ৰন্থ, য'ত বিশেষভাৱে অসমত প্ৰচলিত টাইমূলীয় আৰু তিব্বত-বৰ্মীমূলীয় ভাষাৰ অধ্যয়ন কৰা হৈছে। তদুপৰি সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ'ৰ সম্পাদনা (২০১৩)ৰ লগতে 'মিৰি দুয়ান' (শোনাৰাম মিৰি মহৰি, মিচিং ভাষাৰ প্ৰথমখন গ্ৰন্থৰ উদ্ধাৰ, সংকলন আৰু সম্পাদনা, ২০১৩) উল্লেখযোগ্য কৰ্ম। উল্লেখ্য যে, হাজৰিকাই সম্পাদনা কৰা 'অসম সাহিত্য সভা পত্ৰিকা' (২০১১-১২)ৰ অসম সাহিত্য সভাৰ লিডু অধিৱেশনৰ বিশেষ সংখ্যা (ষট্‌ষষ্টিতম বৰ্ষ, চতুৰ্থ সংখ্যা, মাৰ্চ-এপ্ৰিল-মে' ঃ ২০১২)টি 'জনজাতীয় ভাষা বিশেষ সংখ্যা' হিচাপে প্ৰকাশ পাইছিল।

'ভাৰতীয় আৰ্যভাষাৰ পৰম্পৰাত উদ্ভৱকালীন অসমীয়া ভাষাৰ গঠন' বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰা সুবাসনা মহন্তৰ 'উদ্ভৱকালীন অসমীয়া ভাষা' (২০০৩) গ্ৰন্থখন অসমীয়া ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিশেষ অৱদান।

বয়সত প্ৰবীণ হ'লেও শেহতীয়াকৈ ভাষা চৰ্চাত নিমগ্ন হোৱা পুষ্পা গগৈয়ে 'ভাৰতীয় আৰ্য্য ভাষা' (২০০৭) আৰু 'ভাষা-বীথিকা' (২০০৭) শীৰ্ষক দুখন গ্ৰন্থ প্ৰণয়ন কৰি থৈ গৈছে। প্ৰথমখন গ্ৰন্থত ভাৰতীয় আৰ্য ভাষাৰ ঐতিহাসিক বা বংশানুক্ৰমিক স্তৰ বিবৃত হৈছে। দ্বিতীয়খন গ্ৰন্থত অসমীয়া ভাষাৰ মূল সম্পৰ্কে আলোচিত হৈছে।

ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে অধ্যয়ন কৰা আন এগৰাকী মহিলা গৱেষক তথা ভাষা-চৰ্চাকাৰী অনুৰাধা শৰ্মাৰ 'বাণীকান্ত কাকতি ঃ জীৱন আৰু কৃতি' (২০০৯), 'শৈলী আৰু শৈলীবিজ্ঞান' (২০১০), 'সমাজ আৰু ভাষা সমাজভাষাবিজ্ঞান পৰিচয়' (২০১৬), 'ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা' (২০২০) আদি উল্লেখযোগ্য ভাষাসম্পৰ্কীয় গ্ৰন্থ। অসমীয়া ভাষা সম্পৰ্কে পোনপ্ৰথমবাৰৰ বাবে সম্পূৰ্ণ বিজ্ঞানভিত্তিকভাৱে অধ্যয়ন কৰা অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰে উল্লেখযোগ্য ভাষাবিদ বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতি সম্পৰ্কে গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰি শৰ্মায়ো গৱেষক হিচাপে নিজ বুদ্ধিমত্তা আৰু পাণ্ডিত্যৰ পৰিচয় বহন কৰি আহিছে।

বিভা ভৰালী আৰু প্ৰণতি শৰ্মা গোস্বামীৰদ্বাৰা ৰচিত 'ভাষা সাহিত্যৰ শোভা' (২০০৭) গ্ৰন্থত ভাষাবিষয়ক

বহুকেইটা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। বিভা ভৰালী আৰু বনানি চক্ৰৱৰ্তীৰদ্বাৰা সম্পাদিত 'অসমৰ ভাষা' (২০১৩) এখন লেখত ল'বলগীয়া গ্ৰন্থ, য'ত অসমত প্ৰচলিত বিভিন্ন ভাষা-পৰিয়ালৰ ভাষাসমূহৰ জৰীপৰ লগতে সেই ভাষাসমূহৰ বিস্তৃত বিৱৰণ বিভিন্ন লেখকে আগবঢ়াইছে। বিভা ভৰালী আৰু কল্পনা তালুকদাৰৰদ্বাৰা সম্পাদিত 'গোৱালপৰীয়া উপভাষা ঃ ৰূপ-বৈচিত্ৰ্য' (২০১২) এনে এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ, যিখন গ্ৰন্থত ১৩ জন লেখকে সম্পূৰ্ণ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে গোৱালপৰীয়া উপভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যগঠন প্ৰণালী সম্পৰ্কে বিভিন্ন দিশৰ বিশ্লেষণ কৰাৰ উপৰি গোৱালপৰীয়া উপভাষাৰো স্থানীয় ৰূপ 'উজেনি' (উজানী) সম্পৰ্কে ভাষাতাত্ত্বিক অধ্যয়ন কৰিছে।

প্ৰণীতা দেৱীৰ 'গাৰো ভাষাৰ মৌলিক বিচাৰ' (২০০৫), 'ভাষাবিজ্ঞানৰ জিলিকনি' (২০০৭) অন্য দুখন গ্ৰন্থ; ইয়াৰে প্ৰথমখনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত গাৰো ভাষা সম্পৰ্কে ভাষাবৈজ্ঞানিক অধ্যয়ন কৰিছে আৰু দ্বিতীয়খনত ভাষাবিজ্ঞান সম্পৰ্কীয় তত্ত্বসমূহ অসমীয়া ভাষাৰ উদাহৰণসহ আলোচনা আগবঢ়াইছে।

ইয়াৰ পিছতে নাম ল'বলগীয়া অন্য এগৰাকী মহিলা ভাষা চৰ্চাকাৰী হৈছে চম্পাকলি তালুকদাৰ। তেওঁৰ 'ভাষাবিজ্ঞানৰ ইতিহাস' (২০১৪) গ্ৰন্থখনত ভাষাবিজ্ঞানৰ তত্ত্বকথা, পাশ্চাত্যত ভাষাবিজ্ঞান চৰ্চা, ভাৰতবৰ্ষত ভাষাবিজ্ঞান চৰ্চা আৰু অসমীয়া ভাষাৰ ভাষাবৈজ্ঞানিক চৰ্চা আদি মুঠ চাৰিটা অধ্যায়ত সামৰি ভাষাবিজ্ঞানৰ বিবিধ তাত্ত্বিক দিশ আলোচনা কৰি ক্ৰমে পাশ্চাত্যত, ভাৰতবৰ্ষত আৰু অসমতনো কেনে ধৰণেৰে ভাষাৰ ভাষাবৈজ্ঞানিক চৰ্চা হৈছে সেইসম্পৰ্কে বিশদ আলোচনা আগবঢ়াইছে। ভেদাত্মক বিশ্লেষণেৰে 'অসমীয়া আৰু মৈথিলী ভাষাৰ বিৰোধমূলক বিশ্লেষণ (ধ্বনি আৰু ৰূপ প্ৰসংগ)' (২০২১) গ্ৰন্থ ৰচনাৰে দীপামণি হালৈয়ে ভাষাবিজ্ঞানৰ এই ধাৰাটিত এক নতুন মাত্ৰা প্ৰদান কৰিছে। এইসকল মহিলা ভাষা-চৰ্চাকাৰীৰ উপৰি আৰু বহু অসমীয়া মহিলাই ভাৰতবৰ্ষত প্ৰচলিত বিভিন্ন ভাষা সম্পৰ্কে অধ্যয়ন কৰি আছে অথবা তেওঁলোকৰ বিভিন্ন ভাষাবিষয়ক লেখা, প্ৰবন্ধ প্ৰকাশিত হৈছে সেইসমূহে ভাষাৰ ক্ষেত্ৰখনত নতুন নতুন দিশৰ সংযোজন ঘটাইছে। উদাহৰণস্বৰূপে, মলিনা দেৱী ৰাভাৰ 'ৰাভা ভাষা আৰু সাহিত্য' গ্ৰন্থখনৰ কথাই ক'ব পাৰি। তদুপৰি ৰাভা ভাষা শিকনৰ হাতপুথি হিচাপে অনুপমা ৰাভাই লিখি উলিওৱা 'ৰাভা ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন' (২০১৭) গ্ৰন্থখনৰ কথা ক'ব পাৰি— য'ত ৰাভা ভাষাৰ ধ্বনি, ৰূপ, বাক্য, শব্দসম্ভাৰৰ লগতে বিভিন্ন পৰিস্থিতিত ৰাভা ভাষাত কথোপকথন কৰিবলৈ প্ৰয়োজন হোৱা শব্দ, বাক্যৰ নমুনা সন্নিবিষ্ট কৰিছে। গ্ৰন্থখনে ৰাভা ভাষা শিকাৰুসকলৰ বাবে হাতপুথি হিচাপে কাম কৰি আছে।

**৪.০ ব্যাকৰণ সম্পৰ্কীয় চিন্তা-চৰ্চাত অসমীয়া মহিলা লেখকৰ ভূমিকা ঃ**

ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অসমীয়া মহিলা লেখকে সৰ্বপ্ৰথম ব্যাকৰণ সম্পৰ্কীয় চিন্তা-চৰ্চাৰ মাজেৰেই ভুমুকি মৰা দেখিবলৈ পোৱা যায়। ১৯৭৪ চনতে চন্দ্ৰপ্ৰভা চৌধুৰীয়ে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ লিখি উলিওৱা 'অসমীয়া ভাষা সাৰথি ব্যাকৰণ'-এই সম্ভৱতঃ অসমীয়া মহিলাই প্ৰণয়ন কৰা প্ৰথম ভাষাবিষয়ক পুথি। ইয়াৰ পিছত দীৰ্ঘ দিন বিৰতিৰ মূৰত দীপ্তি ফুকন পাটগিৰিৰ 'আধুনিক অসমীয়া ব্যাকৰণ' (১৯৯৯) আৰু 'মধ্যযুগৰ অসমীয়া ব্যাকৰণ' (১৯৯৯) প্ৰকাশ হৈ ওলায়। ইয়াৰে প্ৰথমখন ব্যাকৰণত প্ৰণেতাই অসমীয়া ভাষাৰ ব্যাকৰণগত দিশসমূহক সামৰি মুঠ ওঠৰটা অধ্যায় বিভাজন কৰিছে। ব্যাকৰণৰ সংজ্ঞাৰপৰা আৰম্ভ কৰি অসমীয়া ভাষাৰ কথিত আৰু লিখিত ৰূপৰ ধাৰণা আৰু বিশ্লেষণৰ লগতে বৰ্ণ আৰু ধ্বনিৰ পৰিচয়, ণত্ব আৰু ষত্ববিধিৰ প্ৰণালী, পদ প্ৰকৰণৰ ক্ষেত্ৰত— বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, অব্যয়, লিংগ, বচন, সমাস, কাৰক আৰু শব্দ-বিভক্তি, শব্দগঠনৰ বিবিধ প্ৰত্যয়, অনুকাৰ, অনুৰূপ শব্দৰ আলোচনা কৰাৰ পাছত পৰ্যায়ক্ৰমে অসমীয়া ভাষাৰ বাক্যগঠন প্ৰণালী, জতুৱা ঠাঁচ আৰু খণ্ডবাক্য, ফকৰা-যোজনা, প্ৰবচন, পটন্তৰ, অসমীয়া ছন্দ, অলংকাৰ আৰু ব্যাকৰণখনৰ পৰিশিষ্টত অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা আগবঢ়াইছে। ব্যাকৰণৰ অন্তৰ্গত প্ৰায় গোটেইকেইটা দিশকে সাঙুৰি লৈ আলোচনা আগবঢ়োৱা উল্লিখিত ব্যাকৰণখনত আধুনিক অসমীয়া ভাষাৰ গাঁথনিক স্বৰূপটো প্ৰকাশিত হৈছে।[৩]

'মধ্যযুগৰ অসমীয়া ব্যাকৰণ' দীপ্তি ফুকন পাটগিৰিৰ অন্য এখন লেখত ল'বলগীয়া ব্যাকৰণ— যিখনে অসমীয়া ব্যাকৰণ-চৰ্চাৰ ক্ষেত্ৰখনক বিশেষভাৱে অৰিহণা আগবঢ়াইছে বুলি ক'ব পাৰি। যদিও ১৮৩৯ চনতেই পোনপ্ৰথম ৰবিন্সন

চাহাবে ইংৰাজী ভাষাত অসমীয়া ব্যাকৰণ চৰ্চাৰ সূত্ৰপাত ঘটায় আৰু পৰৱৰ্তী সময়ত নাথান ব্ৰাউনকে ধৰি হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, সত্যনাথ বৰা আদিৰপৰা সাম্প্ৰতিক সময়লৈকে বহুকেইজন ভাষাচিন্তকে অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰণয়ন কৰি উলিয়াইছে; কিন্তু মধ্য যুগৰ অসমীয়া ভাষা অথবা প্ৰাচীন অসমীয়া ভাষাটোক প্ৰতিনিধিত্ব কৰিব পৰা ব্যাকৰণ প্ৰণয়ন হৈছে বুলি ক'ব নোৱাৰি। ফুকন পাটগিৰি 'মধ্য যুগৰ অসমীয়া ব্যাকৰণ'খনত বিশেষভাৱে মধ্য যুগত ৰচিত বিবিধ সাহিত্য যেনে— অংকীয়া নাট, চৰিত পুথি, বুৰঞ্জী সাহিত্য, ব্যৱহাৰিক সাহিত্য, কথা ৰামায়ণ আদিক কেন্দ্ৰ কৰি অসমীয়া ভাষাৰ মূল, বৰ্ণ, ধ্বনি, ণত্ববিধি, ষত্ববিধি, সন্ধি, বিশেষ্য, বিশেষণ, কাৰক আৰু শব্দবিভক্তি, লিংগ, বচন, সমাস, শব্দগঠনমূলক প্ৰত্যয়, বাক্যৰ গঠন আদি দিশসমূহক সাঙুৰি লৈ ব্যাকৰণখন প্ৰণয়ন কৰিছে। ব্যাকৰণখনে অসমীয়া ভাষাৰ পূৰ্বকালীন ৰূপটোক উদ্ভাসিত কৰাত সহায়ক ভূমিকা পালন কৰিব পাৰে আৰু তাতেই ব্যাকৰণখনৰ প্ৰধান গুৰুত্ব।

মান্য অসমীয়া ভাষাৰ প্ৰায়োগিক ৰূপটোৰ গাঁথনিক বিশ্লেষণ দাঙি ধৰি লীলাৱতী শইকীয়া বৰাই প্ৰণয়ন কৰা 'অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ' এখন উল্লেখযোগ্য ব্যাকৰণ।

'সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ' ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিৱৰ্তন আৰু বিকাশৰ বিভিন্ন স্তৰ সাঙুৰি তুলনামূলক আলোচনা কৰা লীলাৱতী শইকীয়া বৰাৰ অন্য এখন লেখত ল'বলগীয়া ব্যাকৰণ। গ্ৰন্থখনৰ উপক্ৰমণিকাত ভাৰতীয় ক্ৰমবিৱৰ্তন সম্পৰ্কে আলোচনা আগবঢ়াই মুঠ আঠটা অধ্যায়ত মূল আলোচনা অন্তৰ্ভুক্ত কৰিছে। সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ স্বৰধ্বনি, স্বৰধ্বনিৰ গুণ, বৃদ্ধি আৰু সম্প্ৰসাৰণ, সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি, সংস্কৃত সংযুক্ত ব্যঞ্জনৰ পালি-প্ৰাকৃতত পৰিৱৰ্তন, সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি, সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ শব্দৰূপ, সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ ধাতুৰূপ, সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰূপ আদি মূলতঃ ব্যাকৰণৰ অন্তৰ্গত আঠটা বিষয়ৰ বিস্তৃত তুলনামূলক আলোচনাৰ জৰিয়তে ভাৰতীয় আৰ্যভাষাৰ বিকশিত স্তৰসমূহৰ ভাষিক বিশেষত্বসমূহ স্পষ্ট কৰি দেখুৱাইছে। ভাৰতীয় আৰ্যভাষাৰ তুলনামূলক আলোচনাৰ দিশত ব্যাকৰণখনৰ গুৰুত্ব বিশেষভাৱে মনকৰিবলগীয়া।

ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক দিশত বিশদ বিশ্লেষণ আগবঢ়োৱা 'অসমীয়া ভাষাৰ ৰূপতত্ত্ব' লীলাৱতী শইকীয়া বৰাৰ এখন উল্লেখযোগ্য ব্যাকৰণ। মুঠ তেৰটা অধ্যায়ত বিভক্ত গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত ৰূপতত্ত্বৰ এটি সাধাৰণ পৰিচয় দাঙি ধৰি ক্ৰমে, অসমীয়া ভাষাৰ সৰ্গ, ইয়াৰ শ্ৰেণীবিভাজন আৰু প্ৰয়োগ, শব্দ, শব্দৰ শ্ৰেণীবিভাজন আৰু গঠন, শব্দ-সাধন প্ৰক্ৰিয়া, পদ, পদৰ শ্ৰেণীবিভাগ আৰু সম্বন্ধবাচক শব্দ, নামপদৰ বচন, নামপদৰ লিংগ, নিৰ্দিষ্টতাবাচক, অনিৰ্দিষ্টতাবাচক, সম্বোধনাত্মক আৰু অন্যান্য সৰ্গ, কাৰক আৰু শব্দ-বিভক্তি, বিশেষণ আৰু ক্ৰিয়া-বিশেষণ, সৰ্বনাম, ক্ৰিয়াপদ, অব্যয় আৰু অনুপদক সাঙুৰি অসমীয়া ভাষাৰ পৰ্যাপ্ত উদাহৰণসহ সহজ-সৰল ভাষাত ছাত্ৰ-ছাত্ৰী তথা গৱেষকসকলৰ উপযোগীকৈ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ পূৰ্ণাংগ আলোচনা গ্ৰন্থখনত আগবঢ়াইছে। তদুপৰি পৰিশিষ্টত 'অসমীয়া আখৰ জোঁটনি' সম্পৰ্কে এটা অতি গুৰুত্বপূৰ্ণ পৰ্যালোচনা আগবঢ়াইছে। অসমীয়া ৰূপতত্ত্বৰ দিশত এনে স্পষ্ট আৰু বিতং আলোচনা কৰা ব্যাকৰণ অসমীয়া ভাষাত দ্বিতীয় এখন আছে বুলি ক'ব নোৱাৰি। নিঃসন্দেহে লীলাৱতী শইকীয়া বৰাৰ ব্যাকৰণখনে অসমীয়া ভাষাৰ ভাষাবৈজ্ঞানিক চৰ্চাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আছে।

১৯৯৭ চনত আইম্যাখাং গোহাঁইৰ 'Elementary Tai-Primer (টাই ভাষাৰ প্ৰাথমিক পাঠ ব্যাকৰণৰ সৈতে)' গ্ৰন্থখন প্ৰকাশ পায়। ব্যাকৰণখনৰ আদি পাঠত টাই ভাষাৰ পৰিচয় দি টাইমূলীয় ভাষাৰ স্বৰ আৰু ব্যঞ্জন চিহ্নসমূহৰ উল্লেখ কৰিছে। তদুপৰি টাই ভাগৰ সুৰ, স্বৰান্ত শব্দ, ব্যঞ্জনান্ত শব্দ,পদ প্ৰকৰণ, বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়া বিশেষণ, লিংগ, বচন, কাৰক, প্ৰত্যয় আদিৰ আলোচনা কৰিছে। ব্যাকৰণখনিৰ শেষ ভাগত টাই ভাষাৰ সাধাৰণ কথোপকথন, নিচুকনি গীত, নীতি বচন, সাঁথৰ, গল্প আদি লোক সাহিত্যৰ বিবিধ নমুনা সংযোজন কৰিছে। গ্ৰন্থখনি মুঠ চল্লিশটা ভাগত ভাগ কৰি ব্যাকৰণৰ বিবিধ দিশৰ আলোচনা আগবঢ়াইছে। টাই ভাষাৰ প্ৰাথমিক পাঠ শিকাৰ ক্ষেত্ৰত ব্যাকৰণখনৰ গুৰুত্ব আছে।

সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ' (২০২৫)খন পুনৰ সংকলিত কৰি সম্পাদনা কৰি উলিয়ায় জ্যোতিৰেখা হাজৰিকাই।

'বুক হ'ম' প্ৰকাশনে প্ৰকাশ কৰা এই সম্পাদিত ৰূপটি সম্পাদকে পাঠসমীক্ষাৰ জৰিয়তে গ্ৰন্থখনৰ প্ৰথম সংস্কৰণৰ আধাৰত প্ৰকাশ কৰাৰ লগতে বৰ্তমানৰ আখৰ-জোঁটনিৰ স'তে মূলৰ পৰিলক্ষিত পাৰ্থক্যসমূহ ফহিয়াই দেখুৱাইছে। জ্যোতিৰেখা হাজৰিকাই ড° অমল ৰাজখোৱাৰ সৈতে যুটীয়াভাৱে যুগুত কৰা 'আধুনিক অসমীয়া ৰচনা (২০১২) আৰু ড° অমল ৰাজখোৱা, ড° কৃষ্ণ কুমাৰ মিশ্ৰ, ড° হেম বৰাৰ সৈতে লিখা 'মাধ্যমিক অসমীয়া ৰচনা' (২০১৩)ত বিশেষভাৱে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ বহু ৰচনা চয়ন কৰাৰ লগতে অসমীয়া ব্যাকৰণৰ সবিশেষ বিদ্যাৰ্থীৰ বোধগম্য হোৱা ভাষাৰে সংযোগ কৰিছে।

**৫.০ অভিধান সম্পৰ্কীয় চিন্তা-চৰ্চাত অসমীয়া মহিলাৰ ভূমিকা ঃ**

অসমত অভিধান চৰ্চাৰ ইতিহাস বিচাৰ কৰিবলৈ হ'লে গৌৰীনাথ সিংহৰ পৃষ্ঠপোষকতাত ১৭৯৫ চনত টেঙাই পণ্ডিত খ্যাত ব্যক্তিয়ে প্ৰণয়ন কৰা 'বৰ অম্ৰ আৰু ফুল অম্ৰ বা লতি অম্ৰ'ৰ কাষ চাপিব লাগিব (পৰৱৰ্তী সময়ত 'বৰ অম্ৰ'খন কোচবিহাৰৰ কৈলাশচন্দ্ৰ বসুৰপৰা পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে আৰু 'লতি অম্ৰ'খন শিৱসাগৰৰ আখৈ দেওধাই গাঁৱৰ নন্দলাল ফুকনৰ ঘৰৰপৰা সূৰ্যকুমাৰ ভূঞাই সংগ্ৰহ কৰিছিল বুলি হেমচন্দ্ৰ গোস্বামীৰ ১৯৩০ চনত প্ৰকাশিত 'Descriptive Catalogue of Assamese Menuscripts' নামৰ গ্ৰন্থখনৰপৰা জানিবপৰা যায়।)। অৰ্থাৎ অষ্টাদশ শতিকাৰ শেষ ভাগত অসমত অভিধান চৰ্চাৰ বীজ ৰোপণ হয় যদিও দৰাচলতে ঊনবিংশ শতিকাৰপৰাহে অসমত প্ৰকৃতাৰ্থত অভিধান চৰ্চা হোৱা পৰিলক্ষিত হয়। সাধাৰণভাৱে অভিধান বুলিলে যি বুজা যায়, তেনে বিশেষত্বসমূহ স্বৰূপাৰ্থত নাথাকিলেও অসমীয়া ভাষাৰ প্ৰথম ছপা অভিধান বুলি ক'লে মাইল্‌ছ ব্ৰন্সনৰ 'অচমিয়া ইংৰাজী অভিধান'-খনৰ কথাই জনাযায়। পৰৱৰ্তী সময়ত অসমত অভিধান চৰ্চাৰ ক্ষেত্ৰখন বহুদূৰ আগুৱাই গ'লেও এইক্ষেত্ৰত অসমৰ মহিলা অভিধান-চৰ্চাকাৰীসকল বৰ বেছি আগুৱাই অহা পৰিলক্ষিত নহয়।

১৯৯৮ চনত কাছেমা খাতুনৰ 'গোৱালপৰীয়া অভিধান' প্ৰকাশ পায়। অসমীয়া ভাষাৰ গোৱালপৰীয়া ঔপভাষিক ৰূপৰ এইখনেই প্ৰথম শব্দকোষ। ইয়াত অবিভক্ত গোৱালপাৰা জিলাৰ লোকসকলৰ মাজত প্ৰচলিত শব্দসমূহ বৰ্ণানুক্ৰম অনুসৰি সজাই সেইসমূহৰ অৰ্থ মান্য অসমীয়াত দিয়া হৈছে। অভিধানখনৰ পাতনিত গোৱালপৰীয়া উপভাষাৰ ধ্বনিগত আৰু ৰূপগত দিশত থকা বিশেষত্বসমূহ চমুকৈ দাঙি ধৰিছে। 'গোৱালপৰীয়া অভিধান' দৰাচলতে এখন একভাষিক শব্দকোষ।

২০০১ চনত উৰ্মিলা বৰুৱাই সম্পাদনা কৰা 'চয়নিকা' নামেৰে এখন পৌৰাণিক প্ৰসঙ্গকোষ প্ৰকাশ হৈ ওলায়। ইয়াত শাস্ত্ৰ, কাব্য, উপাখ্যান আদিত সংগীতৰ লগত জড়িত শব্দৰ অৰ্থ আৰু সংগীতজ্ঞৰ চমু জীৱন দাঙি ধৰা দেখিবলৈ পোৱা গৈছে।

ডিমাছা ভাষা-সমাজ-সংস্কৃতিৰ উৎকৰ্ষৰ হকে কাম কৰা এগৰাকী মহিলা হ'ল নিৰুপমা হাগজেৰ। তেওঁৰ ডিমাছা-অসমীয়া অভিধান 'ডিমাছা গ্ৰাউৰেন' শীৰ্ষক অভিধানখন প্ৰকাশ পায় ২০০৫ চনত। অভিধানখনত ডিমাছা শব্দৰ অসমীয়া অৰ্থ সন্নিবিষ্ট কৰিছে। এই অভিধানখন ডিমাছা ভাষা শিকাৰ ক্ষেত্ৰত অসমীয়া লোকসকলৰ সহায়ক গ্ৰন্থ হিচাপে পৰিগণিত হৈছে। দৰাচলতে এইখনক অভিধানৰ সলনি কোষ বুলিহে আখ্যা দিব পাৰি।

'ভাষাবিজ্ঞান পাৰিভাষিক কোষ' অৰ্পণা কোঁৱৰ আৰু অনুৰাধা শৰ্মাৰ সম্পাদনাত ২০০৮ চনত প্ৰকাশ হৈ ওলায়। এই কোষখনত ভাষাবিজ্ঞানৰ লগত জড়িত শব্দবোৰৰ পৰিভাষা আৰু সংজ্ঞা দাঙি ধৰিছে। উল্লেখনীয় যে, অসমীয়া ভাষাত প্ৰকাশিত ভাষাবিজ্ঞানবিষয়ক পাৰিভাষিক কোষ এইখনেই এতিয়ালৈকে প্ৰথম আৰু অদ্বিতীয়। গ্ৰন্থখনৰ ঐতিহাসিক আৰু ব্যৱহাৰিক মূল্য যথেষ্ট। অৰ্পণা কোঁৱৰে সম্পাদনা কৰা 'অভিধানতত্ত্ব' গ্ৰন্থখনৰো বিশেষ গুৰুত্ব আছে। এই গ্ৰন্থখনত অভিধান প্ৰণয়ন আৰু অভিধানতত্ত্বৰ কাৰিকৰী দিশ সম্পৰ্কীয় লেখাৰ লগতে অভিধান প্ৰণয়নৰ কেইবাটাও আৰ্হি সন্নিৱিষ্ট হৈছে।

'শৰাইঘাট অভিধান' (২০১১)-ৰ যুটীয়া সহযোগী সম্পাদক হিচাপে বিশিষ্ট লেখক ৰূপশ্ৰী গোস্বামীয়ে এক মহৎ কৰ্ম সম্পাদন কৰিছে। কৰবী গগৈয়ে 'অসমীয়া অভিধানৰ ডেৰশ বছৰ আৰু আধুনিক অভিধান প্ৰণেতাৰ সন্মুখত প্ৰত্যাহ্বান' (২০১১) বিষয়ে ইতিমধ্যে গৱেষণাকৰ্ম সম্পন্ন কৰিছে।

**৬.০ ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাত অসমীয়া মহিলাৰ ভূমিকা ঃ**

ভাষাবিজ্ঞানৰ অধ্যয়নত অসমৰ যিকেইগৰাকী গৱেষক-পণ্ডিতে নিৰলসভাৱে চৰ্চা চলাই আছে সেইসকলৰ ভিতৰত দীপ্তি

ফুকন পাটগিৰি অন্যতম। তেওঁৰদ্বাৰা ৰচিত আৰু সম্পাদিত কেইবাখনো গ্ৰন্থৰ মাধ্যমেৰে ভাষাক আধুনিক বিজ্ঞানসন্মত দৃষ্টিভংগীৰে অধ্যয়ন তথা আলোচনা কৰা দেখিবলৈ পোৱা গৈছে। তেওঁৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ হৈছে, 'ভাষাতত্ত্ব'। 'Linguistics' শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে তেওঁ 'ভাষাতত্ত্ব' শব্দটো গ্ৰন্থখনত ব্যৱহাৰ কৰিছে। ঘাইকৈ ভাষাৰ তাত্ত্বিক দিশ আৰু পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল আৰু ভাষা সম্পৰ্কে আলোচনা কৰা গ্ৰন্থখনত ক্ৰমে, ভাষা, ভাষাতত্ত্ব, ভাষাতত্ত্বৰ ইতিহাস, ভাষাতত্ত্বৰ শাখা আৰু প্ৰশাখা, পৃথিৱীৰ ভাষা পৰিয়াল, ইন্দো-ইউৰোপীয় ভাষা-পৰিয়াল, ভাৰতৰ বিভিন্ন ভাষা, উপভাষাতত্ত্ব, অৰ্থতত্ত্ব, ভাষাৰ ভেদ আৰু ভাষাতত্ত্বৰ আনুষংগিক পৰিচয় আদিকে ধৰি মুঠ নটা অধ্যায়ত বিভাজন কৰি আলোচনা আগবঢ়াইছে। ভাষা অধ্যয়নৰ ক্ষেত্ৰত গ্ৰন্থখনে ছাত্ৰ আৰু শিক্ষকসমাজৰ লগতে সাধাৰণ পঢ়ুৱৈৰ বাবেও সহায়ক ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে, কিয়নো ইয়াৰ আগতে অসমীয়া ভাষাত এনে গ্ৰন্থ প্ৰকাশ হোৱা বৰ বেছি পৰিলক্ষিত নহয়।

'অসমীয়া, বাংলা আৰু উড়িয়া ভাষা (তুলনামূলক অধ্যয়ন)' দীপ্তি ফুকন পাটগিৰিৰ অন্য এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ, যিখন অসমীয়া ভাষাত প্ৰকাশ হৈ ওলোৱা ভাষাৰ তুলনামূলক অধ্যয়নৰ প্ৰথম গ্ৰন্থ। আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাই বিশেষ সমৃদ্ধি লাভ কৰিছে ।একেমূলীয় ভাষা হোৱাৰ হেতু তিনিওটা ভাষাতে কিছুমান উমৈহতীয়া সাদৃশ্য পৰিলক্ষিত হয় আৰু ভিন্ ভিন্ অঞ্চলক কেন্দ্ৰ কৰি বিকাশ লাভ কৰাৰ বাবে আৰু বিভিন্ন কাৰণবশতঃ ভাষাসমূহত স্বকীয় ভাষাগত বৈশিষ্ট্যিই গঢ় লৈ উঠা দেখিবলৈ পোৱা যায়। তুলনামূলক অধ্যয়নৰ জৰিয়তে ভাষাকেইটাৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় কৰাৰ লগতে পৃথক বৈশিষ্ট্যসমূহ দেখুৱাই দিয়াতো সহায় কৰাৰ কথা গ্ৰন্থকাৰে গ্ৰন্থখনৰ 'আগকথা'ত উল্লেখ কৰিছে। চাৰিটা অধ্যায়ত বিভাজন কৰি প্ৰথম অধ্যায়ত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ চমু বুৰঞ্জীৰ লগতে তিনিওটা ভাষাৰ উপভাষা, দ্বিতীয় অধ্যায়ত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু সিহঁতৰ মাজত তুলনা, তৃতীয় অধ্যায়ত তিনিওটা ভাষাৰ গঠনমূলক প্ৰত্যয়, সৰ্বনাম, বিশেষণ, বচন, লিংগ, কাৰক আৰু শব্দ বিভক্তি, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, দ্বিৰুক্তিবাচকতা, সম্বন্ধবাচক শব্দ, ক্ৰিয়া আৰু সেইসমূহৰ তুলনামূলক অধ্যয়ন কৰিছে। চতুৰ্থ অধ্যায়ত অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ শব্দমালাৰ তালিকা প্ৰস্তুত কৰিছে। গ্ৰন্থখনে তুলনামূলক অধ্যয়নৰ প্ৰায়োগিক ক্ষেত্ৰখনত বিশেষ মাত্ৰা প্ৰদান কৰাৰ লগতে গ্ৰন্থখনৰ ঐতিহাসিক গুৰুত্বও মনকৰিবলগীয়া।

'SOME ASPECTS ON LANGUAGE AND LINGUISTICS' গ্ৰন্থখন পাটগিৰিৰ যোল্লটা ভাষাবিষয়ক গৱেষণামূলক প্ৰবন্ধৰ একত্ৰ সংকলন। গ্ৰন্থখনত 'Reduplicated Word in Assamese', 'Deuri Community : Their Language and Culture', 'Redplication in Assamese and Nepali', 'Use of Gender in Assamese and Oriya', 'Tense System of Assamese, Bengali and Oriya', 'Onomatopoetic Words in Assamese and Rabha : A Study', 'Vowel Phonemes of Assamese and Malayalam : A Study', 'Assamese Passive Construction', 'A Critical Study of the Verb of Katha-Gurucarit' 'Gender System of Boro and Rabha', 'Plural Suffixes in Assamese and Oriya','Vowel Phonemes in Assamese and Oriya', 'Kinship Terms In Assamese And Oriya (A Comparative Study), 'Negation in Assamese and Karbi : A Comparative Study', 'Onomatopoetic And Echo Words in Assamese'— এইসমূহ প্ৰবন্ধৰ মাজেদি ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ অসমীয়া, বাংলা, উড়িয়া, মালয়ালম আৰু নেপালী ভাষা আৰু চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ বৰো, ৰাভা, দেউৰী, কাৰ্বি ভাষাৰ বিভিন্ন দিশৰ ঘাইকৈ তুলনামূলক বিশ্লেষণ আগবঢ়াইছে। তদুপৰি গ্ৰন্থখনিৰ প্ৰত্যেকটো প্ৰবন্ধই একো একোটা গৱেষণামূলক প্ৰবন্ধ। গ্ৰন্থখন ভাষা অধ্যয়নৰ ক্ষেত্ৰখনত যথেষ্ট গুৰুত্বপূৰ্ণ।

সাম্প্ৰতিক সময়ত ভাষা আৰু ভাষাবিজ্ঞানৰ অধ্যয়নত নিৰলসভাৱে চৰ্চা কৰি থকা অন্য এগৰাকী ভাষাচিন্তক হৈছে অৰ্পণা কোঁৱৰ। তেওঁৰ প্ৰথমখন গ্ৰন্থ 'ভাষা-সাহিত্যৰ অধ্যয়ন'ৰ বিষয়বস্তুক ক্ৰমে ভাষা, গদ্যশৈলী আৰু বাক্যবিন্যাস— এই তিনিটা খণ্ডত ভাগ কৰি আলোচনা আগবঢ়াইছে। ভাষাবিজ্ঞান ঃ এক বিস্তৃত পৰিচয়, ভাষাৰ অধ্যয়ন, অসমীয়া ভাষাত ব্যাকৰণ

ৰচনাৰ প্ৰাসংগিক চিন্তা, অসমীয়া ভাষাৰ প্ৰত্যয়, অসমৰ তিব্বতবৰ্মীয় ভাষা ঃ এটি পৰিচয়, থলুৱা জনজাতীয় ভাষালৈ অসমীয়া ভাষাৰ অৱদান আদি প্ৰবন্ধকেইটা ভাষা খণ্ডৰ অন্তৰ্গত। গদ্যশৈলী আৰু বাক্যবিন্যাস, ভট্টদেৱৰ গদ্যশৈলী আৰু বাক্যবিন্যাস, কথাগুৰু চৰিতৰ গদ্যশৈলী আৰু বাক্যবিন্যাস, সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জীৰ গদ্যশৈলী আৰু বাক্যবিন্যাস বাকী দুটা খণ্ডৰ অন্তৰ্গত।

'ভাষা-সাহিত্যৰ বিবিধ চিন্তা' অৰ্পণা কোঁৱৰৰ আন এখন উল্লেখযোগ্য প্ৰবন্ধ সংকলন, য'ত দহটা প্ৰবন্ধ সংকলিত হৈছে আৰু তাৰ ভিতৰত আঠটা প্ৰবন্ধই ভাষাবিষয়ক। অসমীয়া ভাষা ঃ জন্ম আৰু বিকাশ, নাথান ব্ৰাওন ঃ অসমীয়া ব্যাকৰণ, উত্তৰ-পূৰ্বাঞ্চলৰ ভাষা ঃ ভাষিক বৈশিষ্ট্য, অসমীয়া আৰু কাৰ্বি ভাষা ঃ এটি তুলনাত্মক অধ্যয়ন, দ্বিভাষিত্ব ঃ অসমৰ জনজাতিসকল, উপভাষা-বিজ্ঞান ঃ অসমীয়া ভাষাৰ উপভাষাসমূহৰ স্বৰূপ, সমাজ-ভাষাবিজ্ঞান ঃ অসমীয়া ভাষা, মধ্যযুগৰ অসমীয়া গদ্যশৈলী ঃ বিকাশ আৰু তুলনা আদি প্ৰবন্ধকেইটাই গ্ৰন্থখনক এটা অনবদ্য মাত্ৰা প্ৰদান কৰিছে। যদিও উল্লিখিত গ্ৰন্থদুখন সম্পূৰ্ণৰূপে ভাষাকেন্দ্ৰিক নহয়, তথাপি গ্ৰন্থকেইখনত সন্নিবিষ্ট ভাষাবিজ্ঞানবিষয়ক প্ৰবন্ধকেইটাৰ জৰিয়তে প্ৰবন্ধকাৰে ভাষাৰ ক্ষেত্ৰখনত নতুন ধৰণেৰে চিন্তা কৰাৰ বাবে গৱেষকসকলক বাট মুকলাই দিছে।

অৰ্পণা কোঁৱৰৰ ভাষাবিজ্ঞানবিষয়ক চিন্তাৰ ফচল হিচাপে ভাষাৰ ক্ষেত্ৰখনত অন্য এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ হৈছে— 'ভাষাবিজ্ঞান উপক্ৰমণিকা'। ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনলৈ আগমন ঘটা নতুন নতুন দিশসমূহলৈ লক্ষ্য ৰাখি ৰচনা কৰা উল্লিখিত গ্ৰন্থখনত মুঠ বাৰটা অধ্যায় সন্নিৱিষ্ট হৈছে। সেয়া যথাক্ৰমে— ভাষাৰ তাৎপৰ্য, ভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা, ভাষা-চৰ্চা আৰু অধ্যয়নৰ ইতিহাস, ভাষাতত্ত্ব, ভাষাবিজ্ঞান, ব্যাকৰণ, ভাষাবিজ্ঞান একপ্ৰকাৰৰ বিজ্ঞান, ভাষাবিজ্ঞানৰ পৰিধি, ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব, বৰ্ণবিজ্ঞান, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অৰ্থতত্ত্ব, ভাষাৰ বৰ্গীকৰণ আৰু পৃথিৱীৰ ভাষা পৰিয়াল, ভাষাৰ পৰিৱৰ্তন। লেখকৰ মতে গ্ৰন্থখন বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য কৰি লিখা; কিন্তু অসমত ভাষাবিজ্ঞানৰ চৰ্চা কৰাৰ ক্ষেত্ৰত কোঁৱৰৰ 'ভাষাবিজ্ঞান উপক্ৰমণিকা' গ্ৰন্থখনে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ভাষা এটাৰ সম্পূৰ্ণ জ্ঞান আয়ত্ত কৰিবলৈ হ'লে ভাষাৰ উদ্ভৱ, বিকাশ, গঠনৰীতি, শব্দসম্ভাৰ, বাক্যগঠন সম্পৰ্কে খৰচি মাৰি যে অধ্যয়ন কৰিব লাগে আৰু সেই কথা গ্ৰন্থখনৰ 'আগকথা'ত গ্ৰন্থকাৰে উল্লেখ কৰিছে। সেয়েহে তেওঁ ভাষাৰ উপাদান, বৈশিষ্ট্য, ভাষা সৃষ্টিৰ সূত্ৰসমূহ নিৰ্ণয় কৰি ভাষা অধ্যয়নৰ কাৰণ আৰু অধ্যয়নৰ পদ্ধতিসমূহ কেনেধৰণৰ হ'ব পাৰে, ভাষাৰ লগত অন্যান্য বিষয়ৰ সম্পৰ্ক কেনেধৰণৰ, প্ৰাচ্য আৰু পাশ্চাত্যত কেনেধৰণেৰে ভাষাৰ চৰ্চা হৈছে, ভাষাতত্ত্ব, ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ স্বকীয় ধাৰণা সম্পৰ্কে, ভাষাৰ অধ্যয়নক বিজ্ঞানসন্মত বুলি কোৱাৰ কাৰণ, ভাষাবিজ্ঞানৰ পৰিধি আৰু প্ৰকাৰ আদি গোটেই কথাবোৰ উল্লিখিত গ্ৰন্থখনত ফঁহিয়াই আলোচনা কৰি যথাসম্ভৱ সহজ-সৰলকৈ উপস্থাপন কৰিছে। 'ভাষাবিজ্ঞান উপক্ৰমণিকা' ভাষাৰ গৱেষকসকলৰ বাবেও নিঃসন্দেহে এখন প্ৰয়োজনীয় গ্ৰন্থ।

LBSCJ!;!UI F!QFP QMF!BOE!UI F!MBO. HVBHF† অৰ্পণা কোঁৱৰৰ গৱেষণামূলক এখন উল্লেখযোগ্য গ্ৰন্থ; য'ত অসমৰ এটা উল্লেখনীয় জনগোষ্ঠী 'কাৰ্বি'সকলৰ জীৱন আৰু সংস্কৃতিৰপৰা আৰম্ভ কৰি কাৰ্বি ভাষা আৰু উপভাষা, কাৰ্বি ভাষাৰ ধ্বনিতাত্ত্বিক দিশৰ অন্তৰ্গত স্বৰ, ব্যঞ্জন, ৰূপতাত্ত্বিক দিশৰ অন্তৰ্গত বিশেষ্য, বিশেষণ,সৰ্বনাম, ক্ৰিয়া, ক্ৰিয়া বিশেষণ, কাৰ্বি শব্দসম্ভাৰ আৰু কাৰ্বি ভাষাৰ বাক্যৰ গঠন পদ্ধতি সম্পৰ্কে গ্ৰন্থকাৰে সম্পূৰ্ণ ক্ষেত্ৰ অধ্যয়নৰ ভিত্তিত কাৰ্বি জনগোষ্ঠীক অধ্যয়ন কৰিছে। অসমত প্ৰচলিত তিব্বতবৰ্মীয় শাখাৰ কাৰ্বি ভাষিক গোষ্ঠীটোৰ পৰিচয় পোৱাৰ লগতে তেওঁলোকৰ ভাষাৰ সম্যক ধাৰণা লাভ কৰাৰ ক্ষেত্ৰত গ্ৰন্থখনে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে। কোঁৱৰৰ এই অধ্যয়নে ভাষাচিন্তাৰ ক্ষেত্ৰখনত অনবদ্য অৰিহণা আগবঢ়াবলৈ সক্ষম হৈছে।

'অসমীয়া ভাষা-চিন্তন' অৰ্পণা কোঁৱৰৰ অন্য এখন ভাষাবিষয়ক গ্ৰন্থ, য'ত ভাষাৰ তাত্ত্বিক দিশক ভিত্তি কৰি অসমীয়া ভাষাৰ বিশ্লেষণ কৰা হৈছে। সম্পূৰ্ণ বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰা 'অসমীয়া ভাষা-চিন্তন' গ্ৰন্থখনত অধ্যায় বিভাজন নকৰি প্ৰবন্ধকাৰে প্ৰস্তুত কৰা সৰ্বমুঠ নটা প্ৰবন্ধৰ শীৰ্ষক ক্ৰমে— অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিশ্লেষণ, অসমীয়া ভাষাৰ সৰ্গ, অসমীয়া ভাষাৰ শব্দসাধন-প্ৰক্ৰিয়া, অসমীয়া ভাষাৰ ক্ৰিয়াপদ ঃ গঠন আৰু প্ৰকাৰ, অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক বিশ্লেষণ, অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ উপাদান, আৰ্যভিন্ন

ভাষাত অসমীয়া ভাষাৰ উপাদান, অসমীয়া ভাষাৰ উচ্চাৰণ বিধি, অসমীয়া ভাষাৰ আখৰ জোঁটনি ঃ সমস্যা আৰু সমাধান। আধুনিক ভাষাবিজ্ঞানৰ দৃষ্টিভংগীৰে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যতাত্ত্বিক দিশত বিশ্লেষণ, অসমীয়া আৰু আৰ্যভিন্ন ভাষাৰ আদান-প্ৰদান তথা অসমীয়া ভাষাৰ উচ্চাৰণ আৰু আখৰ জোঁটনিৰ বিষয়ে পুংখানুপুংখভাৱে কৰা বিশ্লেষণে গ্ৰন্থখনে বিশেষ মূল্য প্ৰদান কৰিছে। কেৱল অসমীয়া ভাষাবিষয়ক ছাত্ৰ-গৱেষক-শিক্ষককে নহয়, গ্ৰন্থখনে ভাষা সম্পৰ্কে থকা যিকোনো আগ্ৰহী লোককে নতুন তথা বিজ্ঞানসন্মত দৃষ্টিভংগীৰে ভাষাৰ অধ্যয়নৰ ক্ষেত্ৰত এক সঠিক নিৰ্দেশনা দিয়াত সহায়ক ভূমিকা পালন কৰিব পাৰে।

উল্লিখিত গ্ৰন্থকেইখনৰ উপৰি ২০২০ চনত প্ৰকাশিত অৰ্পণা কোঁৱৰৰ 'অসমত ভাষাৰ অধ্যয়ন' আৰু 'অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গ্ৰন্থ দুখন বিশেষভাৱে উল্লেখযোগ্য। কিয়নো, এই গ্ৰন্থ দুখনত অসমত অতীজৰেপৰা বৰ্তমান সময়লৈকে কেনেদৰে ভাষা সম্পৰ্কে চিন্তা চৰ্চা চলি আহিছে তাৰ বিস্তৃত বৰ্ণনাৰ লগতে অসমৰ ভাষাসমূহৰ বিশ্লেষণাত্মক আলোচনা পোৱা যায়। প্ৰথমখন গ্ৰন্থত গ্ৰন্থকাৰে মুঠ আঠটা অধ্যায়ত বিষয় বিভাজন কৰিছে। প্ৰথম অধ্যায়ত অসমৰ ভাষা, ভাষিক স্থিতি, ভাষাৰ চিন্তা-চৰ্চাৰ ইতিহাস আৰু প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা আগবঢ়াইছে। পৰৱৰ্তী অধ্যায়সমূহত ক্ৰমে, অসমীয়া ভাষাৰ ব্যাকৰণ-চৰ্চাৰ গতিধাৰা, অসমীয়া ভাষাৰ অভিধান-চৰ্চাৰ গতি-প্ৰকৃতি, অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক আৰু ভাষাবৈজ্ঞানিক-চৰ্চা, অসমীয়া ভাষাৰ উপভাষাৰ অধ্যয়ন, অসমত টাইমূলীয় ভাষাৰ অধ্যয়ন, অসমীয়া ভাষাৰ সমগোত্ৰীয় আৰু বিষমগোত্ৰীয় ভাষাৰ তুলনামূলক আৰু বৈপৰীত্যমূলক ভাষাবৈজ্ঞানিক অধ্যয়ন আৰু পৰিশিষ্টত সাম্প্ৰতিক ভাষাবৈজ্ঞানিক অধ্যয়নৰ ধাৰা ঃ অসমত ইয়াৰ চিন্তা-চৰ্চা আৰু সম্ভাৱনীয়তা আৰু একবিংশ শতিকাত অসমীয়া ভাষাৰ ভাষাবৈজ্ঞানিক-চৰ্চা শীৰ্ষক আলোচনাৰে অসমত এতিয়ালৈকে হোৱা ভাষাৰ অধ্যয়নৰ পুংখানুপুংখ বৰ্ণনা দাঙি ধৰিছে। অসমত বিভিন্ন দৃষ্টিকোণেৰে হোৱা ভাষাৰ অধ্যয়ন সম্পৰ্কে এইখনেই এতিয়ালৈকে প্ৰকাশিত এনে এখন গ্ৰন্থ, যাক আমি 'অসমত ভাষা অধ্যয়নৰ ইতিহাস' বুলি আখ্যা দিব পাৰোঁ। গতিকে গ্ৰন্থখনৰ ব্যৱহাৰিক আৰু ঐতিহাসিক মূল্য যথেষ্ট। 'অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গ্ৰন্থখনত অসমীয়া ভাষাৰ লগতে অসমত প্ৰচলিত তিব্বত-বৰ্মী আৰু টাইমূলীয় ভাষাসমূহৰ বিস্তৃত আলোচনা সন্নিৱিষ্ট হৈছে।

অসমৰ ভাষা-সাহিত্যৰ পথাৰখনত স্বকীয় চিন্তাৰে বাট দেখুওৱা অন্য এগৰাকী মহিলা ভাষাচৰ্চাকাৰী জ্যোতিৰেখা হাজৰিকা। ঘাইকৈ জনগোষ্ঠীয় ভাষা-চৰ্চাকে মুখ্য হিচাপে লৈ অধ্যয়ন কৰা এইগৰাকী গৱেষকৰ 'অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ৰেঙণি' এখন উল্লেখযোগ্য গ্ৰন্থ। মুঠ তিনিটা খণ্ডত বিভক্ত গ্ৰন্থখনত সন্নিৱিষ্ট ভাষাবিষয়ক ১০টা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। ইবিলাকৰ ভিতৰত 'অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশৰ ইতিহাস', 'মধ্য ভাৰতীয় আৰ্যভাষাৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক বিচাৰ', 'অসমীয়া ভাষাৰ ধ্বনি আৰু বৰ্ণ', 'অসমীয়া ভাষাত তিব্বত-বৰ্মী উপাদান', 'ড° বাণীকান্ত কাকতি আৰু অসমৰ তিব্বত-বৰ্মী ভাষাৰ অধ্যয়ন' আদি প্ৰবন্ধৰ বিদ্যায়তনিক প্ৰয়োজনীয়তা মন কৰিবলগীয়া।

জ্যোতিৰেখা হাজৰিকাৰ অন্য এখন বিশেষভাৱে উল্লেখযোগ্য গ্ৰন্থ হৈছে— 'অসমীয়া লিপি আৰু অসমৰ জনজাতীয় ভাষাৰ লিপি'। মুঠ ছটা অধ্যায়ত বিভক্ত গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত, লিপিৰ ক্ৰমবিকাশৰ ইতিহাস; দ্বিতীয় অধ্যায়ত, অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ ইতিহাস; তৃতীয় অধ্যায়ত, অসমৰ জনজাতীয় ভাষাত অসমীয়া আৰু ৰোমান লিপিৰ প্ৰয়োগ ঃ সুবিধা-অসুবিধা; চতুৰ্থ অধ্যায়ত, অসমৰ জনজাতীয় ভাষাত লিপি গ্ৰহণৰ ক্ষেত্ৰত আনুষ্ঠানিক পদক্ষেপ; পঞ্চম অধ্যায়ত, অসমৰ জনজাতীয় ভাষা ক্ৰমে— কাৰ্বি, তিৱা, দেউৰী, মিচিং ভাষাৰ লিপি সমস্যা আৰু লিপি গ্ৰহণৰ ইতিহাস আৰু ষষ্ঠ অধ্যায়ত, অসমৰ জনজাতীয় ভাষা— কাৰ্বি, তিৱা, দেউৰী, মিচিং ভাষাৰ লিপি ঃ বৰ্ণনাত্মক অধ্যয়নক সামৰি অসমীয়া লিপি আৰু অসমৰ জনজাতীয় ভাষাৰ লিপি সম্পৰ্কে বিশদ বিশ্লেষণ আগবঢ়াইছে। উল্লিখিত গ্ৰন্থখনে নিঃসন্দেহে অসমৰ ভাষা আৰু লিপিৰ অধ্যয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তদুপৰি উল্লেখযোগ্য যে, জ্যোতিৰেখা হাজৰিকাৰ আগতে অসমৰ ভাষা-চৰ্চাকাৰীসকলে জনজাতিসকলৰ লিপি সম্পৰ্কে ক'তো এনে বিতং চৰ্চা কৰা পৰিলক্ষিত হোৱা নাই। সেয়েহে গ্ৰন্থখনৰ ঐতিহাসিক মূল্যও মনকৰিবলগীয়া।

'দেউৰী ভাষা-সাহিত্যৰ অধ্যয়ন' (২০২১) জ্যোতিৰেখা হাজৰিকাৰ অন্য এখন ভাষাবিষয়ক গ্ৰন্থ; য'ত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ অসমত প্ৰচলিত দেউৰী ভাষাৰ প্ৰকাশিত সমলসমূহ একত্ৰিত কৰি ভাষিক বৈশিষ্ট্য-নিৰূপক পুথিসমূহৰ বিচাৰ-বিশ্লেষণৰ জৰিয়তে ভাষাটোৰ সাম্প্ৰতিক অগ্ৰগতিৰ খতিয়ান দাঙি ধৰিছে। গ্ৰন্থখনৰ প্ৰস্তাৱনাত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ চমু পৰিচিতি দি অসমৰ তিব্বত-বৰ্মী জনগোষ্ঠীৰ এটা চমু পৰিচয় আৰু তাৰ লগতে দেউৰী জনগোষ্ঠীৰো এটা সাধাৰণ পৰিচয় দিছে। দুটা খণ্ডত বিভক্ত গ্ৰন্থখনৰ প্ৰথম খণ্ডত ছটা অধ্যায় ক্ৰমে, দেউৰী ভাষাৰ অধ্যয়নৰ ৰূপৰেখা, দেউৰী ভাষাৰ ব্যাকৰণ, দেউৰী ভাষাৰ অভিধান, দেউৰী ভাষাৰ ভাষাবৈজ্ঞানিক চৰ্চাৰ ৰূপৰেখাৰ অন্তৰ্গত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যবিন্যাস, দেউৰী আৰু অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ তুলনা, দেউৰী ভাষাৰ লিপি গ্ৰহণৰ সংক্ষিপ্ত ইতিহাস, দেউৰী ভাষাৰ সামগ্ৰিক বিশেষত্ব আৰু দ্বিতীয় খণ্ডত দেউৰী ভাষাৰ লিখিত সাহিত্যৰ অধ্যয়নক সামৰি বৰ্ণনামূলক আলোচনা আগবঢ়াইছে। গ্ৰন্থখনে দেউৰী ভাষা-সাহিত্যৰ লিখিত সমলৰ উপযুক্ত সন্ধান দিয়াৰ উপৰি ভাষাবৈজ্ঞানিক চৰ্চাৰ জৰিয়তে হোৱা ভাষাটোৰ ভাষিক বিশেষত্বসমূহৰো বিৱৰণ দাঙি ধৰিছে। অসমত প্ৰচলিত ভাষিক জনগোষ্ঠী এটাৰ এনে অধ্যয়নেৰে প্ৰকাশিত গ্ৰন্থ জ্যোতিৰেখা হাজৰিকাৰ পূৰ্বে কোনো মহিলা ভাষা-চৰ্চাকাৰীয়ে কৰা পৰিলক্ষিত নহয়। গ্ৰন্থখনৰ সামাজিক আৰু বিদ্যায়তনিক মূল্য যথেষ্ট।

অসমীয়া ভাষাৰ পূৰ্ণাংগ ইতিহাসৰ আধাৰশিলাস্বৰূপ উদ্ভৱকালৰ অসমীয়া ভাষা সম্পৰ্কে বিতং আলোচনা কৰি অসমীয়া ভাষা-চৰ্চাৰ ক্ষেত্ৰখনলৈ বিশেষভাৱে বৰঙণি আগবঢ়োৱা সুবাসনা মহন্তৰ 'উদ্ভৱকালীন অসমীয়া ভাষা' গ্ৰন্থখন অসমীয়া ভাষাৰ এখন লেখত ল'বলগীয়া উৎকৃষ্ট গ্ৰন্থ। গ্ৰন্থখনত প্ৰাচীন অসমীয়া, মধ্য যুগৰ অসমীয়া আৰু বিংশ শতিকাৰ মান্য অসমীয়া সাহিত্য আৰু বিভিন্ন উপভাষাত সংৰক্ষিত ধ্বনি, ৰূপ, শব্দ আদিৰ ওপৰত নিৰ্ভৰ কৰি আৰু পূৰ্বকালিক বিভিন্ন লিখিত পাঠ সামগ্ৰীৰ আধাৰত উদ্ভৱকালীন অসমীয়া ভাষাৰ সম্ভাব্য ৰূপ নিৰূপণ কৰা হৈছে আৰু ভাৰতীয় আৰ্যভাষাৰ পৰম্পৰাত ইবিলাকৰ বিকাশৰ ক্ৰম বিচৰা হৈছে বুলি গ্ৰন্থকাৰে গ্ৰন্থখনৰ প্ৰাক্‌কথনত উল্লেখ কৰিছে মুঠ নটা অধ্যায়ত বিভক্ত গ্ৰন্থখনিৰ অৱতৰণিকা তথা প্ৰথম অধ্যায়ত 'অসমীয়া ভাষা' আৰু 'অসম' শব্দৰ প্ৰচলন, অসমলৈ আৰ্য প্ৰব্ৰজন আৰু ভাৰতীয় আৰ্যভাষাৰ প্ৰচলন, আৰ্যপূৰ্ব অসমৰ ভাষাগত স্থিতি, অসমীয়া ভাষাৰ ইতিহাস আৰু আৰু উদ্ভৱকালীন অসমীয়া ভাষা, উদ্ভৱকালীন অসমীয়া ভাষাৰ সময়সীমা আৰু উপাদান, সময়সীমা নিৰ্দ্ধাৰণৰ সমস্যা আৰু ভিত্তি, উদ্ভৱকালীন অসমীয়া ভাষাৰ উপাদান, ভাষাতাত্ত্বিক আৰু ঐতিহাসিক ভিত্তিক সামৰি লৈছে। দ্বিতীয় অধ্যায়ৰপৰা অষ্টম অধ্যায়লৈ ক্ৰমে, উদ্ভৱকালীন অসমীয়া ভাষা আৰু প্ৰাচীন কামৰূপীয় লেখাৱলীৰ ভাষা, উদ্ভৱকালীন অসমীয়া ভাষা আৰু প্ৰত্ন-নব্য ভাৰতীয় আৰ্যভাষাৰ স্বৰূপ, উদ্ভৱকালীন অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, উদ্ভৱকালীন অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ, উদ্ভৱকালীন অসমীয়া ভাষা আৰু পৰৱৰ্তীকালৰ অসমীয়া ভাষা, উদ্ভৱকালীন অসমীয়া ভাষাৰ ৰূপতত্ত্বত প্ৰত্ন-আৰ্য উপাদানৰ বিস্তৃত বিশ্লেষণ আগবঢ়াই নৱম অধ্যায় উপসংহাৰত মূল অধ্যায়সমূহৰ সংক্ষিপ্ত-সাৰ আগবঢ়াই স্বকীয় মত প্ৰকাশ কৰিছে। উদ্ভৱকালীন অসমীয়া ভাষাৰ অধ্যয়নে কেৱল অসমীয়া ভাষাৰে নহয়, পূব ভাৰতৰ আধুনিক আৰ্যভাষাসমূহৰ উদ্ভৱকালৰ সামগ্ৰিক চিত্ৰ এখনো দাঙি ধৰাত সহায়ক ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। সেয়েহে গ্ৰন্থখন কেৱল অসমীয়া ভাষাৰে নহয় ভাৰতীয় আৰ্যভাষাৰ অধ্যয়নৰ বাবেই সমল যোগানকাৰী এখন নিৰ্ভৰযোগ্য গ্ৰন্থ আৰু অসম আৰু অসমীয়া ভাষা-চৰ্চাত এইখন মাইলৰ খুঁটি বুলি ক'ব পাৰি।

ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰে অসমীয়া ভাষা অধ্যয়নৰ ক্ষেত্ৰখনত নতুন দিশৰ সংযোজন ঘটোৱা অন্য এগৰাকী গৱেষক হৈছে অনুৰাধা শৰ্মা। এইক্ষেত্ৰত তেওঁৰ লেখত ল'বলগীয়া এখন গ্ৰন্থ হৈছে— 'শৈলী আৰু শৈলীবিজ্ঞান'। বিংশ শতিকাৰ মাজভাগত ইউৰোপ আৰু আমেৰিকাত শৈলীবিজ্ঞানৰ বিভিন্ন তাত্ত্বিক আৰু প্ৰায়োগিক দিশ সম্পৰ্কে আলোচনাৰ সূত্ৰপাত ঘটে আৰু সেই চিন্তাৰ আঁত ধৰিয়েই একবিংশ শতিকাৰ এই সম্পৰ্কে চিন্তা কৰিবলৈ এটা নতুন পথৰ সন্ধান দিয়ে। ইয়াৰ আগতে শৈলী আৰু শৈলীবিজ্ঞান সম্পৰ্কে যি অধ্যয়ন হৈছিল সেয়া নিচেই চালুকীয়া অৱস্থাত আছিল আৰু সেয়া মাথোন দুই/এটা প্ৰবন্ধৰ মাজতে সীমাবদ্ধ আছিল। শৰ্মাই তাত্ত্বিক আৰু

প্রায়োগিক দুয়ো দিশতে বিশ্লেষণ আগবঢ়াই অসমীয়া ভাষাবিজ্ঞান-চৰ্চৰ ক্ষেত্ৰখনত এক নতুন মাত্ৰা প্ৰদান কৰে। গ্ৰন্থখনৰ মূল বিষয়-সূচীত শৈলী আৰু শৈলীবিজ্ঞান, ভাৰতীয় আৰু পাশ্চাত্য প্ৰেক্ষাপটত শৈলী চৰ্চা, শৈলীবিজ্ঞান ঃ প্ৰসঙ্গ আৰু ভাষাবৈজ্ঞানিক প্ৰেক্ষাপট, সমাজ ভাষাবিজ্ঞানৰ প্ৰেক্ষাপটত শৈলী প্ৰসঙ্গ, অনুবাদত শৈলীসমস্যা— এইকেইটা দিশৰ তাত্ত্বিক বিশ্লেষণ আগবঢ়াইছে। ইয়াৰ লগতে পৰিশিষ্টত বৰগীতৰ শব্দ আৰু ধ্বনিসজ্জাত গীতি-নিপুণতা, লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা আৰু গীতৰ শৈলী, বাণীকান্ত কাকতিৰ ৰচনাশৈলীৰ প্ৰায়োগিক বিশ্লেষণ দাঙি ধৰিছে। শৈলী আৰু শৈলীবিজ্ঞান সম্পৰ্কে অসমীয়া ভাষাত লিখা প্ৰথম গ্ৰন্থ হিচাপে গ্ৰন্থখনৰ ঐতিহাসিক গুৰুত্ব থকাৰ উপৰি বিষয় আৰু বিশ্লেষণে ভাষা আৰু সাহিত্য দুয়ো ক্ষেত্ৰতে নতুন মাত্ৰা প্ৰদান কৰি সমালোচক-গৱেষকসকলৰ বাবে বিদ্যায়তনিক গুৰুত্বও বহন কৰিছে।

'সমাজ আৰু ভাষা সমাজভাষাবিজ্ঞানৰ পৰিচয়' অনুৰাধা শৰ্মাৰ অন্য এখন ভাষাবিজ্ঞান সম্পৰ্কীয় গুৰুত্বপূৰ্ণ গ্ৰন্থ। ভাষা সমাজক কেন্দ্ৰ কৰি গঢ় লৈ উঠে আৰু স্বাভাৱিকতেই সমাজভেদে ভাষাৰ ৰূপটোলৈও পৰিৱৰ্তন আহে। সমাজৰ প্ৰেক্ষাপটত ভাষিক বৈচিত্ৰ্যৰ বিষয়টোৱে আলোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰাৰপৰাই সত্তৰৰ দশকত এই বিষয়টোৱে ব্যাপ্তি লাভ কৰে।[৫] অসমীয়া ভাষাত সমাজভাষাবিজ্ঞানৰ তাত্ত্বিক দিশসমূহক ভিত্তি কৰি অসমীয়া ভাষাৰ উদাহৰণেৰে শৰ্মাই প্ৰস্তুত কৰি উলিওৱা উল্লিখিত গ্ৰন্থখন ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰে ফচল। চাৰিটা অধ্যায়ত বিভক্ত গ্ৰন্থখনত সমাজভাষাবিজ্ঞানৰ সংজ্ঞা আৰু পৰিসৰ, সামাজিক ভাষাৰূপ, ভাষাৰূপৰ বিভিন্নতা, ভাষা আৰু ৰাজনীতি— এইকেইটা দিশত বিস্তৃতভাৱে তাত্ত্বিক আৰু প্ৰায়োগিক বিশ্লেষণ আগবঢ়াইছে। নিঃসন্দেহে এই গ্ৰন্থখন আৰু গ্ৰন্থকাৰ অসমীয়া ভাষাবৈজ্ঞানিক চৰ্চাৰ ক্ষেত্ৰত বিশেষ সংযোজন।

প্ৰণীতা দেৱীৰ 'ভাষাবিজ্ঞানৰ জিলিকনি' গ্ৰন্থখন অসমীয়া ভাষাৰ ভাষাবিজ্ঞান সম্পৰ্কীয় প্ৰাথমিক গ্ৰন্থ বুলি ক'ব পাৰি। গ্ৰন্থখনপ্ৰথম অধ্যায়ত ভাষাৰ পৰিচয় দিবলৈ যাওঁতে ভাষা কি, ভাষাৰ বৈশিষ্ট্য, ভাষাৰ উৎপত্তি, ভাষাৰ ভিন ভিন ৰূপ, উপভাষা, ব্যক্তিভাষা, পৰিস্থিতি নিৰ্ধাৰক ভাষা, পিজিন বা মিশ্ৰিত ভাষা, ক্ৰেওল, গুপ্তভাষা, অপভাষা, ডাইগ্লছীয়া, ভাষাৰ শ্ৰেণীবিভাজন, ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল, ছেমীয়-হামীয় পৰিয়াল, ইউৰাল-আল্টাই পৰিয়াল, চীন-তিব্বতীয় ভাষা-পৰিয়াল, দ্ৰাবিড়ীয় ভাষা পৰিয়াল, অষ্ট্ৰিক ভাষা পৰিয়াল, ককেছীয় ভাষা পৰিয়াল, এস্কিমো ভাষা পৰিয়াল, আমেৰিকাৰ ভাষা পৰিয়াল, অষ্ট্ৰেলিয়াৰ ভাষা পৰিয়াল, এছিয়াৰ উত্তৰ-পূব সীমান্তীয় ভাষা পৰিয়াল আৰু ইবিলাকৰ বৈশিষ্ট্যসমূহ সন্নিবিষ্ট কৰিছে। দ্বিতীয় অধ্যায়ত ভাষাবিজ্ঞানৰ পৰিচয়ত ভাষা বিজ্ঞানৰ সংজ্ঞাৰ লগতে ভাষাবিজ্ঞানক বিজ্ঞান হিচাপে ধৰাৰ কাৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সম্পৰ্ক, ভাষা বিজ্ঞানৰ ইতিহাস, প্ৰাচ্য আৰু পাশ্চাত্য ধাৰাৰ আলোচনা কৰিছে। তৃতীয় অধ্যায়ত, ভাষাবিজ্ঞানৰ বিভিন্ন শাখাসমূহৰ বিষয়ে, চতুৰ্থ অধ্যায়ত ভাষাবিজ্ঞানৰ পৰিসৰত ভাষা আৰু যোগাযোগ, ভাষা বিশ্লেষণৰ বিভিন্ন স্তৰসমূহৰ আলোচনা কৰি অসমীয়া ভাষাৰ উদাহৰণসহ বিশ্লেষণ আগবঢ়াইছে। পঞ্চম অধ্যায়ত ভাষাৰ পৰিৱৰ্তনৰ বিভিন্ন ধৰণসমূহৰ বিশ্লেষণ কৰিছে।

'Assamese and Maithili Verb-system : A Comparative Study' শীৰ্ষক বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰা দীপামণি হালৈ মহন্তই বিৰোধমূলক ভাষাবিজ্ঞানৰ আধাৰত একেমূলৰপৰা উদ্ভূত ভাষা ক্ৰমে, অসমীয়া আৰু মৈথিলী ভাষাৰ ধ্বনিগত আৰু ৰূপগত বিশেষত্বসমূহ দেখুৱাই 'অসমীয়া আৰু মৈথিলী ভাষাৰ বিৰোধমূলক বিশ্লেষণ (ধ্বনি আৰু ৰূপ প্ৰসংগ)' শীৰ্ষক গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায় ২০২১ বৰ্ষত। মুঠ সাতটা অধ্যায়ত বিভক্ত গ্ৰন্থখনিত গ্ৰন্থকাৰে প্ৰথম অধ্যায়ত অসমীয়া আৰু মৈথিলী ভাষাৰ ধ্বনিৰ বিচাৰ কৰি বিভাজ্য আৰু অবিভাজ্য ধ্বনিসমূহৰ বৰ্ণনা আৰু তুলনাৰ মাজেৰে বিৰোধ দেখুৱাইছে। দ্বিতীয় অধ্যায়ত, প্ৰাকৃতিৰ সংজ্ঞা আৰু প্ৰকাৰ নিৰ্দেশ কৰি অসমীয়া আৰু মৈথিলী ভাষাৰ প্ৰাকৃতি সম্পৰ্কে বিশদ বিশ্লেষণ আগবঢ়াইছে। তৃতীয় অধ্যায়ত, শব্দ ঃ প্ৰকাৰ আৰু গঠনত অসমীয়া আৰু মৈথিলী ভাষাৰ তৎসম শব্দ, অৰ্দ্ধতৎসম শব্দ, তদ্ভৱ শব্দ, দেশী শব্দ, বিদেশী শব্দ আৰু ভাৰতৰ আন ভাষাৰ শব্দ, দুয়োটা ভাষাৰ মৌলিক শব্দ, সাধিত শব্দসমূহৰ বিভিন্ন ৰূপসমূহৰ বিশদ বিশ্লষণ কৰি ভাষা দুটাৰ শব্দসমূহৰ তুলনামূলক আলোচনা দাঙি ধৰিছে। চতুৰ্থ অধ্যায় অসমীয়া আৰু মৈথিলী ভাষাৰ নামপদত দুয়োটা ভাষাৰ ক্ৰমে সম্বন্ধবাচক নামপদৰ আলোচনা আৰু তুলনা, বিশেষ্য পদৰ আলোচনা আৰু তুলনা, বিশেষণ পদৰ আলোচনা আৰু তুলনা, সৰ্বনামৰ আলোচনা আৰু তুলনা, সংখ্যাবাচক শব্দৰ

আলোচনা আৰু তুলনাৰ বিস্তৃত বিশ্লেষণ আগবঢ়াইছে। পঞ্চম অধ্যায়ত, নামপদৰ কাৰক, বচন আৰু লিংগত অসমীয়া আৰু মৈথিলী ভাষাৰ কাৰক আৰু বিভক্তিৰ আলোচনা আৰু তুলনা কৰি দেখুৱাইছে। তদুপৰি এই অধ্যায়তেই, ভাষা দুটাত ব্যৱহৃত নামপদৰ বচন আৰু লিংগ নিৰ্ণয় কৰি বচন আৰু লিংগৰ ক্ষেত্ৰত দেখিবলৈ পোৱা সাদৃশ্য আৰু পাৰ্থক্যসমূহ দেখুৱাই তুলনামূলক আলোচনা আগবঢ়াইছে। ষষ্ঠ অধ্যায়ত অসমীয়া আৰু মৈথিলী ভাষাৰ ক্ৰিয়াপদ্ধতিত ভাষা দুটাৰ ধাতুৰ আলোচনাসহ তুলনা, ক্ৰিয়াৰ কাল আৰু দশাৰ আলোচনা আৰু তুলনা, ক্ৰিয়াৰ ভাবৰ আলোচনা আৰু তুলনাৰ লগতে অসমীয়া আৰু মৈথিলী ভাষাৰ ক্ৰিয়া সম্পৰ্কে পুংখানুপুংখ বিশ্লেষণ আগবঢ়াইছে। গ্ৰন্থখনৰ শেষৰটো অধ্যায়ত, অসমীয়া আৰু মৈথিলী ভাষাৰ অব্যয় সম্পৰ্কে আলোচনা কৰি দুয়োটা ভাষাৰ অব্যয়ৰ তুলনা দাঙি ধৰিছে। সম্পূৰ্ণ গৱেষণাধৰ্মী বিশ্লেষণৰ জৰিয়তে একে মূলৰূপৰা উদ্ভৱ হোৱা অসমীয়া আৰু মৈথিলী ভাষাৰ ধ্বনিগত আৰু ৰূপগত দিশসমূহক বিৰোধমূলক দৃষ্টিভংগীৰে আলোচনা কৰি অসমীয়া ভাষাত গ্ৰন্থ ৰূপ দিয়া এইখনেই প্ৰথম গ্ৰন্থ। গ্ৰন্থখনে আধুনিক ভাষাবিজ্ঞান চৰ্চাকাৰীসকলক নতুন দিশৰ নিৰ্দেশনা দিছে বুলি নিঃসন্দেহে ক'ব পাৰি।

উল্লিখিত লেখক আৰু গ্ৰন্থসমূহৰ জৰিয়তে আমি দেখিবলৈ পাওঁ যে, বিংশ শতিকাৰ আশীৰ দশকৰপৰাহে প্ৰকৃতাৰ্থত অসমত ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰত অসমীয়া মহিলাসকলে বিশেষভাৱে ভূমিকা পালন কৰি আহিছে। সম্প্ৰতি দেখা গৈছে অসমৰ বহু মহিলা গৱেষকে ভাৰতবৰ্ষৰ বিভিন্ন ভাষা সম্পৰ্কে গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিছে আৰু বহুজনে ভাষা সম্পৰ্কীয় গৱেষণামূলক বিবিধ প্ৰবন্ধ তথা আলোচনাৰ জৰিয়তে নতুন নতুন তথ্য উলিয়াবলৈ সক্ষম হৈছে আৰু তেওঁলোকৰ কৰ্মৰাজিয়ে ভাষাৰ ক্ষেত্ৰখনক চহকী কৰি তুলিছে। ভাষাবিজ্ঞানৰ বিভিন্ন দৃষ্টিভংগীৰে অধ্যয়ন কৰাসকলৰ ভিতৰত থাওকতে কেইগৰাকীমান গৱেষক আৰু তেওঁলোকৰ গৱেষণা-গ্ৰন্থসমূহ তলত দিয়া হ'ল ঃ

তুলনামূলক পদ্ধতিৰে কৰা ভাষাৰ গৱেষণা ক্ৰমে, ভামতী দেৱীৰ 'Comparative Study of Assamese and Hindi Verbs' (১৯৯১), অঞ্জনা চৌধুৰীৰ 'Structures of Assamese and Garo : A Comparative Study' (১৯৯৫),মেৰী পূজাৰীৰ 'Aspects of Assamese and Tai-Phake : A Contrastive Study' (১৯৯৭), মায়াশ্ৰী গোস্বামীৰ 'চৰ্যাপদ আৰু অসমীয়া ভাষা ঃ এটি তুলনামূলক অধ্যয়ন' (১৯৯৯), শতৰূপা দত্ত মজুমদাৰৰ 'A Contrastive Study of Study of Reduplicated Structure in Assamese, Bengali and Odia' (২০০১),অনিতা বাৰ্মা (তামুলী)ৰ 'Sound Patterns of English and Assamese' (২০০২), ৰীণাৰাণী বৰদলৈৰ 'মাধৱ কন্দলী আৰু কৃত্তিবাসী ৰামায়ণৰ ভাষাৰ তুলনামূলক অধ্যয়ন (২০০৫), স্বৰ্ণপ্ৰভা চৈনাৰীৰ 'Boro and Garo : A Comparative Linguistic Analysis' (২০০৫), মনালিছা বৰাৰ 'অসমীয়া আৰু বাংলা ভাষাৰ ধ্বন্যাত্মক শব্দ ঃ এটি তুলনামূলক অধ্যয়ন' (২০০৭), নৱনীতা কলিতাৰ 'অসমীয়া আৰু বঙলাৰ শব্দ গঠন প্ৰক্ৰিয়া' (২০০৯), অঞ্জলি চুতীয়া শইকীয়াৰ 'টুৰুং আৰু চিংফৌ ভাষাৰ এটি তুলনামূলক অধ্যয়ন' (২০০৯), ইন্দুপ্ৰভা দেৱীৰ 'অসমীয়া আৰু নেপালী ভাষাৰ ৰূপতত্ত্ব ঃ এক তুলনামূলক অধ্যয়ন' (২০০৯)

বৰ্ণনাত্মক দৃষ্টিভংগীৰে কৰা গৱেষণা ক্ৰমে, সুবাসনা মহন্তৰ 'ভাৰতীয় আৰ্য ভাষাৰ পৰম্পৰাত উদ্ভৱকালীন অসমীয়া ভাষাৰ গঠন' (খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ শেষলৈ) (২০০০), মামনি বৰাৰ 'প্ৰাক্-শংকৰী যুগৰ অসমীয়া সাহিত্যৰ ক্ৰিয়াপদ' (২০০০), মধুমিতা চেতিয়াৰ 'টাই খাময়াং ভাষা ঃ বৰ্ণনাত্মক অধ্যয়ন' (২০১৬), ঐতিহাসিক দৃষ্টিভংগীৰে কৰা গৱেষণা হিচাপে চম্পাকলি তালুকদাৰৰ 'অসমীয়া ভাষাৰ ভাষাবৈজ্ঞানিক চৰ্চা ঃ এক ঐতিহাসিক বিচাৰ' (২০০৮),সংগীতা হাজৰিকাৰ 'অসমত ভাষা অধ্যয়নৰ ইতিহাস' (১৯৯৮), নিভা দাসৰ 'বুৰঞ্জীৰ শব্দমালা ঃ উৎস আৰু ক্ৰমবিকাশ' (২০১১), মৌচুমী ৰেখা খাউণ্ডৰ 'মিচিং আৰু দেউৰী ভাষাৰ লগত অসমীয়া ভাষাৰ আদান-প্ৰদান' (২০১৯) আদি।

অসমীয়া ভাষাৰ উপভাষা আৰু স্থানীয় উপভাষা সম্পৰ্কে আৰু সমাজ ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰা কেইগৰাকীমান গৱেষক আৰু তেওঁলোকৰ গৱেষণা গ্ৰন্থ হৈছে— অনিমা চৌধুৰীৰ 'Goalparia Dialect : A Critical Study' (১৯৯২), দীপালী ওজাৰ 'A Study of Barpeta Diialect' (১৯৯৫), অনুপমা বৰ্মনৰ 'ছয়গাঁও আৰু নলবাৰীৰ কথিত অসমীয়া ভাষা

ঃ এটি তুলনামূলক অধ্যয়ন' (১৯৯৪), বিনীতা বৰুৱাৰ 'শিৱসাগৰৰ উপভাষা ঃ এক সমাজ ভাষাবৈজ্ঞানিক অধ্যয়ন (১৯৯৯), বিভাৰাণী পাঠকৰ বৃহত্তৰ সৰ্থেবাৰী অঞ্চলৰ কথিত অসমীয়া ভাষাৰ এক ভাষাতাত্ত্বিক অধ্যয়ন' (২০০০), বিভা ভৰালীৰ 'কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহৰ এক তুলনামূলক অধ্যয়ন' (২০০০), মাজনী দাসৰ 'শোণিতপুৰ আৰু লক্ষীমপুৰ জিলাৰ আহোম সম্প্ৰদায়ৰ লোকসকলৰ সমাজ ভাষাবৈজ্ঞানিক বিশ্লেষণ' (২০০২), বনলতা কলিতাৰ 'পূব কামৰূপ অঞ্চলৰ কথিত কথিত অসমীয়া ভাষা ঃ এটি অধ্যয়ন' (২০০৪),অজন্তা চুতীয়াৰ 'যোৰহাট মৰিয়নি অঞ্চলৰ চাহ বাগিচাৰ কথিত অসমীয়া ভাষা' (২০০৭), বেবীমণি গগৈৰ 'ধেমাজি জিলাৰ কথিত অসমীয়া ভাষা ঃ এক সমাজভাষাবৈজ্ঞানিক অধ্যয়ন' (২০১১) আদি।

অসমৰ জনগোষ্ঠীয় ভাষা সম্পৰ্কে গৱেষণা কৰি কেইবাগৰাকী গৱেষকে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। তাৰ ভিতৰত অৰ্পণা কোঁৱৰ, প্ৰেমলতা শৰ্মা, সংগীতা শইকীয়া, অঞ্জলি চুতীয়া শইকীয়া, জ্যোতিৰেখা হাজৰিকা, ৰুণু গগৈ, নৰমী গগৈ, মৌচুমীৰেখা খাউণ্ড, মহাশ্বেতা দেৱী আদি প্ৰধান।

সাহিত্যৰ ভাষা সম্পৰ্কে কৰা গৱেষণাৰ ভিতৰত অমিয়া ভৰালী মহন্তৰ 'ৰাম সৰস্বতীৰ ৰচনাৱলীৰ ভাষাতাত্ত্বিক বিশ্লেষণ' (১৯৯৫), গায়ত্ৰী দেৱী গোস্বামীৰ 'শঙ্কৰী যুগৰ অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বিশ্লেষণ' (১৪৯০-১৭০০ খ্ৰী.) (১৯৯৭), চিত্ৰা দুৱৰাৰ 'মাধৱ কন্দলিৰ ৰামায়ণৰ ক্ৰিয়া' (১৯৯৭), জোনালী দেৱীৰ 'ঊনবিংশ শতিকাৰ অসমীয়া ভাষা ঃ এটি সমীক্ষা (১৮৩৬-১৯০১ খ্ৰী.)' (২০০২), মিনাক্ষী দত্ত বৰ্মনৰ 'চৰিত পুথিৰ ভাষাত ক্ৰিয়াৰ গঠন' (২০০৩), ৰুমী চৌধুৰীৰ 'বড়ুচণ্ডী দাসৰ শ্ৰীকৃষ্ণ কীৰ্ত্তনৰ ভাষাতাত্ত্বিক অধ্যয়ন' (২০০৫), দীপা পাটগিৰি দাসৰ 'অনন্ত কন্দলিৰ কাব্য ঃ এটি ভাষাতাত্ত্বিক বিশ্লেষণ' (২০০৭), দীপাঞ্জলি দাস গোস্বামীৰ 'সুকবি নাৰায়ণদেৱ বিৰচিত পদ্মা-পুৰাণৰ ভাষাতাত্ত্বিক বিশ্লেষণ' (২০০৮), বৰ্ণালী বৰঠাকুৰৰ 'লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যশৈলী ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' (২০০৮) আদি।

আধুনিক ভাষাবিজ্ঞানৰ তাত্ত্বিক দিশক ভিত্তি কৰি গৱেষণা কৰা ৰুণিমা চৌধুৰীৰ 'Anaphora in Assamese : A GB Exposition' (২০০১), মধুমিতা বৰবৰাৰ 'Complimentiser in Assamese Implications for Second Language Acquisition' (২০০১), কৰবী মহন্তৰ 'অসমীয়া বাক্যতত্ত্ব' (২০১৩) উল্লেখযোগ্য গৱেষণা কৰ্ম।

সমাজ-ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে কৰা গৱেষণা জোনমণি গগৈৰ 'টাইসকলৰ সম্বন্ধবাচক শব্দাৱলী ঃ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন' (২০১৭), বৈপৰীত্যমূলক দৃষ্টিভংগীৰে কৰা পাপুমণি হাজৰিকাৰ 'অসমীয়া আৰু নেপালী ভাষা ঃ এক বৈপৰীত্যমূলক অধ্যয়ন (অসমত কথিত নেপালী ভাষাৰ বিশেষ উল্লিখনেৰে)' (২০২০) ভাষাবিষয়ক অন্য এখন গৱেষণা গ্ৰন্থ য'ত একে ভাষা পৰিয়ালৰপৰা উদ্ভূত অসমীয়া আৰু নেপালী ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যতাত্ত্বিক আৰু শব্দাৰ্থতত্ত্ব কেওটি দিশক সাঙুৰি ভাষা দুটাৰ বৈপৰীত্যমূলক অধ্যয়ন কৰিছে।

উল্লিখিত গৱেষক-গ্ৰন্থ-গ্ৰন্থকাৰসকলৰ উপৰি আমাৰ আলোচনাত বাদ পৰি যোৱা আৰু মহিলা ভাষা-চৰ্চাকাৰী আছে, যিসকলে একান্তভাৱে তেওঁলোকৰ কৰ্মত মনোনিৱেশ কৰি আছে আৰু সেইসমূহ বিভিন্ন গ্ৰন্থ, আলোচনী, পত্ৰিকাৰ মাজত প্ৰকাশিত হৈ আহিছে। তদুপৰি এম. ফিল. ডিগ্ৰীৰ বাবেও বহু গৱেষকৰ জৰিয়তে ভাষাবিষয়ক ভালেমান ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰা হৈছে, যিসমূহত বিভিন্ন দিশৰ ভাষাতাত্ত্বিক সমল অন্তৰ্নিহিত হৈ আছে। প্ৰসংগক্ৰমে তিলোত্তমা ভৰালী, গায়ত্ৰী দেৱী গোস্বামী, লখিমী গোস্বামী, চিত্ৰা বৰগোহাঁই, মামনি বৰা, সংগীতা শৰ্মা, চিত্ৰা দুৱৰা, অঞ্জলি চুতীয়া শইকীয়া, সবিতা বৈশ্য বৰুৱা, মঞ্জু দেৱী, সোণামণি বৰা, উৰ্মিলা দেৱী, ৰূপলেখা দেৱী, প্ৰমোদা দেৱী, বিনীতা বৰুৱা,ৰজিতা কলিতা মৰল, চুমী কলিতা, ঋতুপৰ্ণা বুঢ়াগোহাঞি, জয়ন্তী পাংগিং, হিৰিম্পা শইকীয়া, মৃদুলা দাস, স্নেহা গগৈ আদি মহিলা ভাষাৰ আলোচকৰ নাম ল'ব পাৰি। অসমত মহিলাসকলে ভাষা-চৰ্চা কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়কেইখনৰ বৰঙণি বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি কামৰূপ অনুসন্ধান সমিতি, অসম সাহিত্য সভা, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা আদি অনুষ্ঠান আৰু সংস্থাৰপৰা সময়ে সময়ে ওলোৱা বিভিন্ন গৱেষণামূলক গ্ৰন্থ, পত্ৰিকা, আলোচনী তথা এইসমূহে অনুষ্ঠিত কৰা সন্মিলন, আলোচনা চক্ৰ, লেখক শিবিৰ আদিৰ মাজেৰেও অসমীয়া মহিলা ভাষা-চৰ্চাকাৰীসকলে বিভিন্ন দিশেৰে ভাষাৰ চৰ্চা কৰি

অহা পৰিলক্ষিত হৈছে। উপেন ৰাভা হাকাচামে ইতিমধ্যে তেওঁৰ 'প্ৰবন্ধ-চানেকি' শীৰ্ষক গ্ৰন্থত লিখা 'মহিলা পণ্ডিতসকলৰ বৈয়াকৰণিক আৰু ভাষাবৈজ্ঞানিক চিন্তা-চৰ্চা (ড° লীলাৱতী শইকীয়া বৰাৰ বিশেষ উল্লিখনসহ)' প্ৰবন্ধত অসমৰ মহিলা ভাষাবিদসকলৰ বিষয়ে আলোচনা আগবঢ়াইছে।

**৭.০ উপসংহাৰ ঃ**

এটা কথা স্পষ্ট যে , ভাষাৰ ক্ষেত্ৰখনলৈ অসমৰ মহিলা লেখকৰ কিয়দংশই তেওঁলোকৰ নিৰলস সাধনাৰ জৰিয়তে অতুলনীয় অৱদান আগবঢ়াই আহিছে আৰু বহু নতুন দিশক উন্মোচন কৰি নতুন গৱেষকসকলক অধ্যয়নৰ বাবে বাট মুকলি কৰি দিছে। তথাপি অসমৰ ভাষা, উপভাষাতত্ত্ব, নৃতাত্ত্বিক ভাষাবিজ্ঞান, প্ৰায়োগিক ভাষাবিজ্ঞান, বৈপৰীত্যমূলক ভাষাবিজ্ঞান, মনো ভাষাবিজ্ঞান, শৈলীবিজ্ঞান আৰু সমাজ-ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে কৰা গৱেষণাৰ লগতে বিপন্ন হ'বলৈ ধৰা অসমৰ জনজাতীয় ভাষাৰ বিষয়ে গৱেষণা কৰিবলৈ এতিয়াও দুই এগৰাকীৰ বাদে মহিলা লেখকসকল আগ্ৰহেৰে আগবাঢ়ি নহাটো চিন্তনীয় বিষয়। আশাকৰো এই দিশত আগ্ৰহীসকলে মনোনিৱেশ কৰিব।

**প্ৰসংগ-সূত্ৰ ঃ**

১. কোঁৱৰ, অৰ্পণা, *'অসমত ভাষাৰ অধ্যয়ন'*, পৃ.২৪৭-২৪৮
২. তালুকদাৰ, চম্পাকলি, *'ভাষাবিজ্ঞানৰ ইতিহাস'*, পৃ.১০৯
৩. কোঁৱৰ, অৰ্পণা *'অসমত ভাষাৰ অধ্যয়ন'*, পৃ.১৩৪
৪. শৰ্মা, অনুৰাধা, *'সমাজ আৰু ভাষা সমাজভাষাবিজ্ঞানৰ পৰিচয়'*, পৃ. প্ৰাক্‌কথন

**সহায়ক গ্ৰন্থ ঃ**


কাকতি, বাণীকান্ত (২০০২); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ*, (হাজৰিকা, বিশ্বেশ্বৰৰ অনু.); গুৱাহাটী, বীণা লাইব্ৰেৰী (মূল লেখকৰ প্ৰথম প্ৰকাশ ঃ ১৯৪১)
কোঁৱৰ, অৰ্পণা (২০০২); *ভাষাবিজ্ঞান উপক্ৰমণিকা*; ডিব্ৰুগড় বিশ্ববিদ্যালয় ঃ অসমীয়া বিভাগ
কোঁৱৰ, অৰ্পণা (২০২০); *অসমত ভাষাৰ অধ্যয়ন*, যোৰহাট ঃ অসম সাহিত্য সভা
তালুকদাৰ, চম্পাকলি (২০১৪); *ভাষাবিজ্ঞানৰ ইতিহাস*, গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ
ফুকন পাটগিৰি, দীপ্তি (১৯৯১); *ভাষাতত্ত্ব*; ডিব্ৰুগড়, গুৱাহাটী ঃ বনলতা
ফুকন পাটগিৰি, দীপ্তি (সম্পা.) (১৯৯৬ ); *ভাষাতত্ত্বৰ বিচিত্ৰ কথা*; বোকাখাত ঃ অসম সাহিত্য সভাৰ দ্বি-ষষ্টিতম অধিবেশন।
ফুকন পাটগিৰি, দীপ্তি (২০০৪); *অসমীয়া, বাংলা আৰু উড়িয়া ভাষা (তুলনামূলক অধ্যয়ন)*; গুৱাহাটী ঃ বনলতা।
শইকীয়া বৰা, লীলাৱতী (২০০৬); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*; গুৱাহাটী ঃ বনলতা।
হাকাচাম, উপেন ৰাভা (২০১৯); *প্ৰবন্ধ চানেকি*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
হাজৰিকা, জ্যোতিৰেখা (২০১৯); *অসমীয়া লিপি আৰু অসমৰ জনজাতীয় ভাষাৰ লিপি*, সৰস্বতী প্ৰকাশন, গোলাঘাট
হাজৰিকা, জ্যোতিৰেখা (২০২১); *দেউৰী ভাষা-সাহিত্যৰ অধ্যয়নৰ ইতিহাস*, সৰস্বতী প্ৰকাশন, গোলাঘাট।